School Leadership

# বিদ্যালয়ৰ নেতৃত্ব

TESS India

# Transforming teaching-learning process: leading assessment in your school

# শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ ৰূপান্তৰ ঘটোৱা ঃ আপোনাৰ বিদ্যালয়ত খটিয়ান লোৱাত নেতৃত্বদান





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA
http://creativecommons.org/licenses/


The Open University

UKaid from the British people

এই স্কুল লিডাৰশ্বিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ চল্লিটা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যক্ৰমিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।
নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰশ্বিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপৰ পাঠ্যক্ৰমিক পৰিকাঠামোৰ সৈতে সংঘবদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰশ্বিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়বদ্ধ ব্যক্তিক বুজাইছে।

### ভিডিঅ' সম্পদ *Video resources*

Tess Indiaৰ স্কুল লিডাৰশ্বিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ'  কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিবলৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।
Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।

Tess India প্ৰকল্পৰ বিষয়ে

ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।
ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে ৱল্লুপ্ত Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।
Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যক্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।

Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL06v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটোৱে কি কয়? (What this unit is about)

'মূল্যায়ন' শব্দটো পৰীক্ষাত কৃতকাৰ্যতা বা অকৃতকাৰ্যতাৰ সৈতে ওতঃপ্ৰোতভাৱে সাঙোৰ খাই থকা দেখা যায়। পৰীক্ষাৰ ফলাফল এই বাবেই গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি অহা হৈছে কাৰণ ইয়াৰ দ্বাৰা ছাত্ৰ এজনে ভাল মহাবিদ্যালয় এখনত নামভৰ্ত্তিকৰণৰ সুযোগ লাভ কৰে, সামাজিক মৰ্য্যদা অৰ্জন কৰে তথা পৰৱৰ্তী জীৱনত মনে বিচৰা বৃত্তিত (পেছা) (Profession) প্ৰবেশ কৰিবলৈ সক্ষম হয়। অৱশ্যে, কেৱল পৰীক্ষাৰ ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি কৰা কেন্দ্ৰীভূত প্ৰস্তুতিয়ে শিকন অভিজ্ঞতাত বিৰূপ প্ৰভাৱ সৃষ্টি কৰিব পাৰে। এই সমস্যাৰ গভীৰতা অনুধাৱন কৰি NCF

(NCERT, 2005, PP71) য়ে তলত দিয়া ধৰণে উল্লেখ কৰিছেঃ

ছাত্ৰ-ছাত্ৰীৰ শিকন অৰ্থবহ আৰু আনন্দদায়ক হোৱাৰ প্ৰচেষ্টাত পৰীক্ষা পদ্ধতিয়ে যি কুফল পেলাইছে, তাক লৈ আমি সকলোৱে উদ্বিগ্ন। প্ৰাক-প্ৰাথমিকৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিদ্যালয় বৰ্ষসমূহত ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা আৰু মূল্যায়ন প্ৰত্ৰি য়াত প্ৰচলিত শিক্ষান্ত পৰীক্ষাসমূহে ধনাত্মক প্ৰভাৱ পেলাইছে।

এই গোটে আমাৰ মূল্যায়নক দৈনন্দিন শ্ৰেণীকোঠাৰ এটি অপৰিহাৰ্য অংগ হিচাবে ব্যৱহাৰ কৰি কিদৰে ইয়াক ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ নিৰীক্ষণ আৰু দিগদৰ্শনৰ উপযোগী কৰিব পৰা যায়, সেইটো অনুধাৱন কৰাত সহায় কৰিব। এই ধৰণৰ অবিৰত মূল্যায়ণে শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ শিকন প্ৰত্ৰি য়াৰ বিষয়ে জনাৰ সুযোগ দিয়ে। নিয়মিত সঁহাৰিৰ (Regular feedback) ফলত শিক্ষকে তেওঁৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকন পদ্ধতিত অধিক ফলপ্ৰসুভাৱে সহায় কৰিব পাৰে। মূল্যায়নক শিকন প্ৰত্ৰি য়াৰ উৎকৰ্ষ সাধনৰ বাবে ব্যৱহাৰ কৰিবলৈ আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লাভ কৰা সাক্ষ্য প্ৰমাণ, প্ৰদত্ত পৰিপূৰকৰ তথ্য বি ষণ, শিকনৰ কাৰ্যৰ ৰূপান্তৰ আদিৰ দ্বাৰা মূল্যায়ন আৰু নিৰীক্ষণ কৰা প্ৰয়োজন। এই ধৰণৰ মূল্যায়ণে সকলো ছাত্ৰ-ছাত্ৰীৰেই শিকন প্ৰত্ৰি য়াৰ উৎকৰ্ষ সাধন কৰিব।

## শিকন দিনলিপি (Learning Diary)

এই গোটৰ আধাৰত কাম কৰিবলৈ শিক্ষকসকলক এখন টোকাবহী 'শিকন দিনলিপি' হিচাবে প্ৰস্তুত কৰিবলৈ কোৱা হয়। সেই দিনলিপিত তেওঁলোকে নিজৰ চিন্তা আৰু পৰিকল্পনা লিপিবদ্ধ কৰি যাব লাগে। আপোনালোকে এই ধৰণৰ দিনলিপি বোধহয় আৰম্ভ কৰিছে।

এই গোটৰ আধাৰত কাম কৰা আপুনি আপোনাৰ বিদ্যালয়ৰ একমাত্ৰ শিক্ষক হ'লেও আপুনি অইন বিদ্যালয়ৰ নেতৃত্বত থকা শিক্ষকৰ লগত আপোনাৰ শিকনৰ অনুভৱৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'লে ই আপোনাৰ জনাৰ পৰিসৰ বৃদ্ধি কৰিব। হয়তো ইতিমধ্যে আপুনি আপোনাৰ কোনো সহকৰ্মীৰ সহযোগিতাত কাম কৰি আছে আৰু যদি কৰা নাই তেনেহ'লে কাৰোবাৰ সৈতে নতুনকৈ সহযোগিতা আৰম্ভ কৰিব পাৰে। এই ধৰণৰ সহযোগিতা আনুষ্ঠানিক বা অনানুষ্ঠানিক- দুই ধৰণৰ হ'ব পাৰে। শিকন দিনলিপিত লিপিবদ্ধ কৰা আপোনাৰ টোকাসমূহ উপৰোক্ত আলোচনাত উপযোগী হোৱাৰ উপৰি আপোনাৰ দীৰ্ঘম্যাদী শিকন আৰু বিকাশত সহায়ক হ'ব।

## বিদ্যালয়ৰ নেতৃত্ব বৃন্দই এই গোটৰ পৰা কি শিকিব পাৰে? (What school leaders can learn in this unit)


- শিকনৰ বাবে মূল্যায়ন আৰু মূল্যায়নৰ বাবে শিকনৰ মাজত পাৰ্থক্য নিৰ্ণয়
- To আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ সৈতে গঠনভিত্তিক মূল্যায়নৰ বিকাশৰ বাবে কৌশল নিৰ্ধাৰণ
- গঠনভিত্তিক মূল্যায়নৰ বাবে শিক্ষকসকলক সাক্ষ্যপ্ৰমাণ আৰু তথ্য সংগ্ৰহৰ ক্ষেত্ৰত সহায় কৰা যাতে ইয়াৰ সঁহাৰি

## 1 গঠনভিত্তিক আৰু সাৰাংশভিত্তিক মূল্যায়ন (1 Formative and summative assessment)

মূল্যায়ন দুই ধৰণৰ— এই দুই ধৰণৰ মূল্যায়নক ভিন্ন উদ্দেশ্য আগত ৰাখি ভিন্ন ধৰণেৰে ব্যৱহাৰ কৰা হয় বাবে এটাক আনটোৰ পৰা পৃথক হিচাবে গণ্য কৰা হয়। আপোনাৰ নিজৰ শৈক্ষিক জীৱনৰ অভিজ্ঞতাৰ পৰা আপুনি নিশ্চয় সাৰাংশভিত্তিক মূল্যায়নৰ সৈতে পৰিচিত। কিন্তু আপুনি গঠনভিত্তিক মূল্যায়নৰ সৈতে পৰিচিত নহ'বও পাৰে। নতুবা ইতিমধ্যে আপুনি এই গঠনমূলক মূল্যায়ন পদ্ধতি ব্যৱহাৰ কৰিছে, কিন্তু আপুনি এই ক্ষেত্ৰত নিজৰ দক্ষতা সম্পৰ্কে নিজেই বিদিত নহয়।

গঠনভিত্তিক মূল্যায়নক বহুতেই 'শিকনৰ বাবে মূল্যায়ন' বুলিও অভিহিত কৰিব বিচাৰে। এই ধৰণৰ মূল্যায়নৰ মুখ্য উদ্দেশ্য এয়ে যে ইয়াৰ দ্বাৰা শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পৰা গঠনমূলক সহাঁৰি লাভ কৰিব পাৰে যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে আগতকৈ ভালধৰণে শিকিবলৈ সক্ষম হ'ব পাৰে আৰু তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰত ফলপ্ৰসু উন্নতি হয় বুলি ভবা হয়। এনেকুৱা সঁহাৰিবোৰ সাধাৰণতে শিক্ষকে আহৰণ কৰা উচিত।

- সাৰাংশভিত্তিক মূল্যায়নক 'মূল্যায়নৰ বাবে শিকন' বুলিও জনা যায়। এই ধৰণৰ মূল্যায়নৰ মুখ্য উদ্দেশ্য হ'ল এয়ে যে কোনো এটা নিৰ্দিষ্ট সময় বা বছৰৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু অগ্ৰগতিৰ বিষয়ে জানিবলৈ সক্ষম হয়।



চিত্ৰ ১ ঃ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফাঁকৰ বিষয়ে আলোচনা

সাৰাংশভিত্তিক মূল্যায়ন এজন ছাত্ৰক আন এজনৰ লগত তুলনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। কিন্তু গঠনভিত্তিক মূল্যায়ণে শিকনৰ সৰ্বাংগীণ উন্নতিত সহায় কৰে।

গঠনভিত্তিক মূল্যায়ণে ছাত্ৰ-ছাত্ৰীসকলক শিকনৰ এনে এটা পথত অগ্ৰসৰ হ'বলৈ সুযোগ দিয়ে যাতে তেওঁলোকৰ শিকন প্ৰত্ৰি য়াত উন্নতি হয়। এই ধৰণৰ মূল্যায়ণে তলত দিয়া কথাবোৰ চিনাক্ত কৰণত সহায় কৰে।

ছাত্ৰজনে কি কৰিব পাৰে আৰু কি কৰিব নোৱাৰে।

- ছাত্ৰজন ক ধৰণৰ কঠিনতাৰ সন্মুখীন হয
- ছাত্ৰজনে ভুল ধৰণ কিবা বুজিছে নেকি আৰু শিকনৰ ক্ষেত্ৰত তেওঁৰ ব্যৱধান কিমান, ইয়াৰ বাবে কৰিবলগীয়া কামসমূহ হ'ল ঃ
- কথোপকথনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে শিকনৰ স্পষ্ট লক্ষ্যৰ বিষয়ে আলোচনা
- লক্ষ্যত উপনীত হ'বলৈ ছাত্ৰ-ছাত্ৰীক সত্ৰি য় কৰা
- নিজৰ আৰু সহকৰ্মীৰ পৰ্যালোচনাৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ উন্নতিৰ বিষয়ে নিৰীক্ষণ

সঠিক সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰা দৰকাৰী সঁহাৰি কৰাটো এই প্ৰত্ৰি য়াৰ এটা অংগ, কাৰণ ই ছাত্ৰ-ছাত্ৰীৰ বিকাশত সহায় কৰে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে লক্ষ্যত উপনীত নোহোৱালৈকে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী দুয়ো পক্ষই সমান দৃঢ়সংকল্পসহকাৰে আগবাঢ়ি যাব লাগিব। ইয়াৰ বাবে ছাত্ৰৰ প্ৰয়োজন অনুসৰি শিক্ষকে তেওঁৰ শিক্ষণ পদ্ধতি খাপ খুৱাব লাগিব।

গতিকে বিধিবদ্ধ (fomal) সাৰাংশভিত্তিক মূল্যায়নৰ উদ্দেশ্য আৰু পথৰ (approach) ৰ তুলনাত গঠনভিত্তিক মূল্যায়নৰ উদ্দেশ্য আৰু পথ সম্পূৰ্ণ পৃথক। গঠনভিত্তিক মূল্যায়ণে সদায় শ্ৰেণীকোঠাৰ লগত সংগতি ৰাখি আগবাঢ়ে আৰু ই শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধৰ ওপৰত গঢ় লৈ উঠে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, 2009(CBSE,2009) অনুসৰি গঠনমূলক মূল্যায়নৰ মুখ্য বৈশিষ্ট সমূহ হ'ল ঃ

- is ই নিদানমূলক (diagonastic) আৰু প্ৰতিকাৰমূলক (remedial)
- ফলপ্ৰসু সঁহাৰিৰ (effectiue feedback) অৱকাশ থাকে।
- ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকন প্ৰত্ৰি য়াত সত্ৰি য়ভাৱে যোগদানৰ বাবে উপযুক্ত ক্ষেত্ৰ প্ৰদান কৰে।

- মূল্যায়নৰ ফলাফলৰ খতিয়ানৰ ওপৰত শিক্ষকে তেওঁৰ শিক্ষণ পদ্ধতি খাপ খুৱাবলৈ সমৰ্থ হয়।
- ছাত্র-ছাত্রীৰ শিক্ষণৰ প্রতি অভিৰোচন (motivation) আৰু আত্মসন্মানৰ ওপৰত মূল্যায়নৰ যথেষ্ট প্রভাৱ আছে বুলি চিনাক্ত কৰণ কৰিবলৈ সহায় কৰে আৰু এই দুয়োটাৰে শিকনৰ ওপৰত গুৰুত্বপূৰ্ণ প্রভাৱ আছে।
- ছাত্র-ছাত্রীয়ে মূল্যয়ণৰ প্রপয়োজনীয়তাৰ বিষয়ে নিজেই বুজিবলৈ সক্ষম হয় আৰু পঢ়াৰ ক্ষেত্রত নিজে কিদৰে আগবাঢ়িব পাৰে, সেই বিষয়ে অনুধাবন কৰিব পাৰে।
- ছাত্র-ছাত্রীয়ে কি শিকিলে সেই বিষয়ে জানিবলৈ ছাত্র-ছাত্রীয়ে পূৰ্বতে পাই অহা ওজন আৰু অভিজ্ঞতাৰ ভিত্তিত ই পৰিকল্পিত ভাৱে গঠন হয়।
- ছাত্র-ছাত্রীক কি আৰু কেনেকৈ শিকাব লাগিব সেইটো নিৰ্ণয় কৰিবলৈ ই বিভিন্ন শিক্ষণ শৈলী সঙ্গবদ্ধ কৰে।
- তেওঁলোকৰ কৰ্মৰ মূল্যয়ণৰ ক্ষেত্রত কি নীতি ব্যৱহাৰ কৰা হয় সেইবিষয়ে বুজিবলৈ ছাত্র-ছাত্রীক উৎসাহিত কৰে।
- ছাত্র-ছাত্রীক পৰা সঁহাৰি লাভ কৰাৰ পিচত ছাত্র-ছাত্রীয়ে তেওঁলোকৰ কাৰ্য্যৰ উৎকৰ্ষ সাধনৰ সুযোগ পায়।
- এই পদ্ধতিয়ে সহপাঠীসকলে পৰস্পৰে পৰস্পৰক সহায় কৰাৰ সুযোগ দিয়ে।

গঠনভিত্তি ক মূল্যায়ণে শিক্ষকক ছাত্রজনক নিজৰ স্তৰৰ পৰা পৰিকল্পিত ভাৱে আগুৱাই লৈ যাবলৈ তথা ছাত্র-ছাত্রীসকলকো তেওঁলো কৃতকাৰ্য হ'বলৈ কি কৰা উচিত সেইটো বুজাত সহায় কৰে। গতিকে গঠনমূলক মূল্যায়ণে শিকাৰুক শিকন প্রত্রি য়াৰ সৈতে এনেদৰে লাঙেৰে খুৱাই দিয়ে যে শিকাৰুৱে নিজেই নিজৰ শিকনৰ গৰাকী হৈ পৰে।

ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা পৰিষদে (CBSC) 2009 বৰ্যত অবিৰত আৰু সামগ্রিক মূল্যায়নৰ [continious and comprehensive evalution (CEE)] বৰ্ণনা এইদৰে দিছে।

> অবিৰত আৰু সামগ্রিক মূল্যায়ণে ছাত্র-ছাত্রীৰ বুদ্ধিমত্তা, আবেগিক, শাৰীৰিক, সাংস্কৃতিক আৰু সামাজিক — এই সকলোবোৰ বিকাশ নিশ্চিত হোৱাত মুখ্যভাৱে গুৰুত্ব আৰোপ কৰে। গতিকে ই কেৱল ছাত্র-ছাত্রীৰ শৈক্ষিক (Scholastic) সাফল্যৰ ওপৰতেই সীমাবদ্ধ নহয়। অবিৰত আৰু সামগ্রিক মূল্যায়ন শিকাৰুৰ অনুপ্রেৰণা বৃদ্ধি কৰে আৰু সঁহাৰি আহৰণত সহায় কৰি পৰৱৰ্তী কাৰ্যপন্থা গ্রহণৰ সুবিধা দিয়ে। এই পদ্ধতি শিকাৰুৰ শ্রেণীকোঠাৰ শিকনৰ ক্ষেত্রত আগবাঢ়ি যোৱাত সহায়ক হয় আৰু শিকাৰুৰ এটি সামগ্রিক ছবি শিক্ষকৰ সমুখত দাঙি ধৰে।

কাৰ্য 1 য়ে আপোনাক বিদ্যালয়ৰ পৰিৱেশত গঠনভিত্তিক আৰু সাৰাংশভিত্তিক মূল্যায়নৰ পাৰ্থক্যৰ বিষয়ে চিন্তা চৰ্চা কৰিবলৈ সমল যোগায়। এই কাৰ্য ব্যৱহাৰ কৰি আপুনি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ সৈতে গঠনভিত্তিক আৰু সাৰাংশ ভিত্তিক মূল্যায়নৰ বিষয়ে কথোপকথন আৰম্ভ কৰিব পাৰে।

## কাৰ্য ১ ঃ গঠনভিত্তিক আৰু সাৰাংশ ভিত্তিক মূল্যায়নৰ চিনাক্তকৰণ (Activity 1: Identifying formative and summative assessment)

আপোনাৰ বিদ্যালয়ৰ শ্ৰেণীকোঠাতে মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা কিছু প্ৰণালী তলত দিয়া হৈছে। আপোনাৰ শিকন দিনলিপিত দুটা স্তম্ভ কৰক—এটা গঠনভিত্তিক মূল্যায়নৰ বাবে এতিয়া তলৰ তালিকাৰ পৰা মূল্যায়ন প্ৰণালীসমূহ যিকোনো এটা স্তম্ভত অন্তৰ্ভুক্ত কৰক। আপুনি দেখিবলৈ পাব যে কিছুমান প্ৰণালী দুয়োটা স্তম্ভতে অন্তৰ্ভুক্ত হ'ব পাৰে। উদাহৰণস্বৰূপে— গানৰ পৰীক্ষাৰ (music examination) বাবে এটা গান গাবলৈ দিলে ই সাৰাংশভিত্তিক মূল্যায়নৰ অন্তৰ্গত হ'ব। কিন্তু বিদ্যালয়ৰ কোনো সাংস্কৃতিক অনুষ্ঠানৰ প্ৰস্তুতিৰ বাবে এজন ছাত্ৰক গান গাবলৈ ক'লে ই গঠনাভিত্তিক মূল্যায়নৰ অন্তৰ্ভুক্ত হ'ব।

এই কাৰ্যসমূহ আপুনি অকলেও সম্পাদন কৰিব পাৰে বা সমূহীয়াভাৱে দলীয় কাৰ্য হিচাবেও কৰিব পাৰে।

1. কাগজ-কলম লৈ পৰীক্ষা।
2. স্মৃতিশক্তি পৰীক্ষা
3. বিজ্ঞানৰ কোনো এটা যুক্তিসঙ্গত ধাৰণাৰে ওপৰত ব্যৱহাৰিক পৰীক্ষা।
4. কিতাপ খুলি দিয়া পৰীক্ষা
5. শিক্ষকৰ দ্বাৰা ছাত্ৰক নিৰীক্ষণ
6. কোনো এবিধ খাদ্যবস্তু ৰন্ধন
7. ৰচনা লিখন
8. মৌখিক প্ৰ.ৰ প্ৰতি সঁহাৰি।
9. প্ৰদৰ্শন
10. ছাত্ৰই নিজে লিখা গান গোৱা
11. কোনো এটা ত্ৰীড়াত ব্যক্তিগত লক্ষ্য স্থিৰ কৰা
12. নাটক ৰচনা আৰু অভিনয় কৰা।

## আলোচনা (Discussion)

ওপৰত দিয়া কিছুমান ত্ৰিয়াকলাপে যেনে নং 8 ত গঠনভিত্তিক মূল্যায়নৰ অন্তৰ্গত বুলি সহজেই অনুমেয়। য'ত মৌখিক প্ৰ.ৰ প্ৰতি সঁহাৰিৰ পৰা তাৎক্ষণিক ভাৱে সঁহাৰি পোৱা যায়, 1 নং কাৰ্য অৰ্থাৎ কলম-কাগজ লৈ পৰীক্ষাই চূড়ান্ত পৰ্যায়লৈ লৈ যাব। ই হ'ব সাৰাংশ ভিত্তিক মূল্যায়ন।

অৱশ্যে উদ্দেশ্য আৰু মূল্যায়নৰ প্ৰকৃতিৰ বিষয়ে বিতং তথ্য লাভ নকৰাকৈ বেচিভাগ কৰ্মই কাৰ্যক মূল্যায়ন হিচাবে শ্ৰেণীভুক্ত কৰিবলৈ অসুবিধা হয়। উদাহৰণস্বৰূপে— ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁলোকৰ কোনো এটা বিষয় বুজাত ভূল হোৱাৰ বাবে কৰা আলাপ আলোচনাৰ আৰম্ভণিতে যদি কাগজ-কলম লৈ পৰীক্ষা পতাহয়, তেনেহ'লে ইয়াক গঠনভিত্তিক মূল্যায়ন হিচাবে গণ্য কৰিব পাৰি। ঠিক সেইদৰে সীমিত পৰিসৰৰ প্ৰ.ৰ (closed question) মৌখিক উত্তৰ, যাৰ পৰা শিক্ষকে ছাত্ৰৰ সাফল্যাক (score) লাভ কৰিব পাৰি, তেনে ক্ষেত্ৰত ইয়াক সাৰাংশভিত্তিক মূল্যায়ন হিচাবে গণ্য কৰিব পাৰি।

## গঠনভিত্তিকভাৱে মূল্যায়ন ব্যৱহাৰ কৰি (Using assessment formatively)

কি পদ্ধতি ব্যৱহাৰ কৰি কিদৰে মূল্যায়নক শ্ৰেণীকোঠাৰ এটি অভিন্ন অঙ্গ হিচাপে প্ৰতীয়মান কৰিব পাৰি সেইবিষয়ে জানিলে আপুনি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ সৈতে মূল্যায়নৰ ভূমিকা আৰু ৰীতি সম্বন্ধে কথোপকথন আৰম্ভ কৰাৰ সময়ত আপোনাৰ সহায় হ'ব।

গতিকে তিনিটা মুখ্য প্ৰভেদৰ ওপৰত ভিত্তি কৰি গঠনভিত্তিক আৰু সাৰাংশভিত্তিক মূল্যায়নৰ শ্ৰেণী বিভাজন কৰিব পাৰি—

- মূল্যায়নৰ উদ্দেশ্য
- লাভ কৰা তথ্য কিদৰে ব্যৱহাৰ কৰা হৈছে।
- পদ্ধতিৰ কতৃত্ব কাৰ হাতত আছে।

ছাত্ৰ-ছাত্ৰীয়ে গঠনভিত্তিক  মূল্যায়নৰ অংশীদাৰ হ'বলৈ তেওঁলোক সক্ৰি য় আৰু চিন্তাশীল শিকাৰু হ'ব লাগিব, যাতে তেওঁলোকৰ সঁহাৰিৰ ওপৰত ভিত্তি কৰি শিকনৰ পৰৱৰ্তী পদক্ষেপ দিব পৰা যায়। তলৰ বিষয় অধ্যয়ন (Case studey) 1, ইয়াৰ এটা উদাহৰণ।



চিত্ৰ ২ঃ শ্ৰেণীকোঠাত গঠন ভিত্তিক আৰু সাৰাংশভিত্তিক মূল্যায়নৰ ব্যৱহাৰ

বিষয় অধ্যয়ন একত ৰবিয়ে গঠনভিত্তিক মূল্যায়ন লাভ কৰিছে।

## বিষয় অধ্যয়ন 1ঃ ৰবিয়ে গঠনভিত্তিক মূল্যায়ন লাভ কৰিছে (Case Study 1: Ravi receives formative assessment)

সেয়ে ৰবিয়ে সেই কিতাপখনৰ বাবে কিছুমান শব্দ সম্ভাৰৰ (vocabulary) তালিকা প্ৰস্তুত কৰিবলৈ ল'লে। তাৰোপৰি ৰবিয়ে তেওঁৰ বায়েকে লিখা কিছুমান সাৰাংশ আৰ্হি হিচাবে পঢ়ি চালে। ৰবিয়ে পিছৰ বাৰ এনে এজন সহপাঠীৰ সৈতে কামটো কৰিবলৈ মনতে থিৰাং কৰিলে যাৰ এই সম্বন্ধে স্পষ্ট ধাৰণা আছে। ৰবিয়ে এইটোও চিন্তা কৰিলে যে তেওঁলোকে  একেলগে কামটো কৰিবলৈ চেষ্টা কৰি থকাতকৈ দ্বায়িত্ববোৰ নিজৰ মাজতে ভগাই ল'ব। ৰবিয়ে এই বিষয়েও নিশ্চিত কৰিব বিচাৰিলে যে তেওঁ নে তেওঁৰ সহপাঠী- কোনজনৰ এই বিষয়ত দোমোজা আছে। ইয়াত ৰবিয়ে কেৱল নিজৰ শিকনৰ ওপৰতেই গুৰুত্ব নিদি পিছৰবাৰ কি ধৰণে আগতকৈ ভালদৰে কামটো কৰিব পাৰি আৰু কি ধৰণে শিকন প্ৰক্ৰি য়াৰ উন্নতি ঘটাব পাৰি, তাৰ ওপৰতহে চিন্তা কৰিবলৈ আৰম্ভ কৰিছে। ৰবিয়ে কেৱল ফলাফলৰ ওপৰতেই চকু ৰখা নাই, তেওঁ কি ধৰণে কামটো কৰিছিল তাৰ বিষয়েও চিন্তা চৰ্চা কৰিছে। শিক্ষকে ৰবিক কিছু সঁহাৰি (গঠনভিত্তিক মূল্যায়ন) দিছে আৰু ৰবিয়ে পৰৱৰ্তী পৰ্য্যায়ৰ বাবে ইয়াক ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা কৰিছে।

আপুনি বিদ্যালয়ৰ নেতৃত্বত থকা হেতুকে গঠনভিত্তিক মূল্যায়নৰ বাবে যুটীয়াভাৱে কেৱল শিক্ষকসকলৰ লগত কাম কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলকো মূল্যায়ন যে শিকনৰ এটা অঙ্গ এই বিষয়ে জানিবলৈ দি তেওঁলোকক সহায় কৰিব পাৰে। ইয়াৰ দ্বাৰা শিকন প্ৰক্ৰি য়াত মূল্যায়ৰ উপকাৰীতা সম্বন্ধে তেওঁলোকে উপলব্ধি কৰিব পাৰিব।

ছাত্ৰ-ছাত্ৰীসকলক সক্ৰি য় শিকাৰু হিচাবে ব্যস্ত ৰখাত উৎসাহ যোগাবলৈ শিক্ষকে এইটো নিশ্চিত কৰিব লাগিব যে তেওঁলোকে (ছাত্ৰ-ছাত্ৰীসকলে) নিজৰ শিকন পদ্ধতি সম্পৰ্কে অৱগত আৰু তেওঁলোকে—

- কোনো কাৰ্য তিনিৰ ওপৰত প্ৰতিফলন।
- কি হৈছে সেইবিষয়ে বি ্ষণ কৰিবলৈ আৰম্ভ কৰে।
- শিকনৰ বিকাশৰ অৰ্থে কাৰ্যপ্ৰণালী হাতত লয় আৰু ইয়াৰ ধাৰণা (assumption) আৰু সিদ্ধান্ত (conclusion) ৰ ওপৰত নিজে ঠাৱৰ কৰিব পাৰে।

আপোনাৰ শিক্ষকসকলৰ বাবে অধিক পৰামৰ্শৰ (guidance) বাবে Secondary English unit sportily language through formative assessment চাওঁক।

## ২। শ্ৰেণীকোঠাত গঠনভিত্তিক আৰু সাৰাংশভিত্তিক মূল্যায়নৰ ব্যৱহাৰ (2 Using formative and summative assessment in the classroom)

বিষয় অধ্যয়ন 2 ৰ পৰা কিদৰে এখন বিদ্যালয়ৰ নেতৃত্ব বহনকাৰী শিক্ষয়ত্ৰী শ্ৰীমতী বৰুৱাই শিক্ষক হিচাবে নিজে অৰ্জন কৰা অভিজ্ঞতাৰে নিজৰ বিদ্যালয়ত গঠনভিত্তিক মূল্যায়ন আৰম্ভ কৰিছিল। তেখেতে গঠনভিত্তিক মূল্যায়নৰ সূচনা কৰা পথৰ শৈলীক পাঁচটা ঢাপত গাঁঠনি কৰিছে ঃ

1. গঠনভিত্তিক মূল্যায়নৰ সৈতে শিক্ষকসকলৰ পৰিচয়কৰণ।
2. শিক্ষকসকলক গঠনভিত্তিক মূল্যায়নৰ ব্যৱহাৰিক ওজন দিবলৈ বিদ্যালয়ৰ নেতৃত্ব বহনকাৰী শ্ৰীমতী বৰুৱাই লোৱা এটা শ্ৰেণী নিৰীক্ষণ।
3. বিদ্যালয়ৰ নেতৃত্ববহনকাৰী শিক্ষকৰ দ্বাৰা ওপৰত উল্লেখিত শ্ৰেণী নিৰীক্ষণৰ পিচত শিক্ষকসকলৰ সৈতে আলোচনা।
4. শ্ৰেণীকোঠাত গঠনভিত্তিক মূল্যায়ন ব্যৱহাৰ কৰা শিক্ষকক নিৰীক্ষণ।
5. পৰ্যালোচনা আৰু প্ৰতিফলন।

### বিষয় অধ্যয়ন ২ ঃ শ্ৰেণীকোঠাত শ্ৰীমতী বৰুৱাৰ গঠনভিত্তিক মূল্যায়ন (Case Study 2: Mrs Baruah uses formative assessment in the classroom)

শ্ৰীমতী বৰুৱাই তেখেতৰ শ্ৰেণীৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিন ভিন পাঠসমূহত তেওঁলোকৰ শিকনৰ সাফল্যৰ খতিয়ানৰ ওপৰত চকু ৰাখিবলৈ লিখিত টোকা ৰাখি থৈ যায়। তেখেতে পাঠদান কৰাৰ সময়ত শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ স্তৰৰ সৈতে সঙ্গতি ৰাখি পাঠবোৰ শিকাৰুৰ বাবে প্ৰাসঙ্গিক আৰু উপযোগী কৰাত গুৰুত্ব আৰোপ কৰে আৰু তেখেতে অনুভৱ কৰে যে এইধৰণে পাঠদান কৰিবলৈ শ্ৰেণীকোঠাৰ প্ৰতিজন ছাত্ৰৰ শিকনৰ স্তৰ (level) সম্বন্ধে শিক্ষকজন ভালদৰে ওজ্ঞত হোৱাটো নিতান্তই প্ৰয়োজনীয়। তেখেতে দীৰ্ঘ অভিজ্ঞতাৰ পৰা এইবিষয়ে ভালদৰে বুজি পাইছে যে শ্ৰেণীৰ সকলোতকৈ সৰৱ ছাত্ৰজন সকলোতকৈ চোকা নহ'বও পাৰে। গতিকে তেখেতে সদায় যিবোৰ ছাত্ৰ যোগ্য কিন্তু শ্ৰেণীত নীৰৱে থাকে, তেনেধৰণৰ ছাত্ৰক উৎসাহিত কৰিছিল আৰু তেওঁলোকৰ উন্নতি দেখি আনন্দ লাভ কৰিছিল।

শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলে কি ধৰণৰ কাৰ্য কৰি থাকে সেইবোৰৰ লিখিত বৃত্তান্ত কোনো বিশেষ ধৰণে (some format) ৰখাটোত তেখেতে বি ৱাস কৰিছিল আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে তেওঁলোকৰ শিকনৰ উন্নতিৰ বিষয়ে জানিবলৈ দিছিল। সেই লিখিত বৃত্তান্তৰ

ওপৰত ভিত্তি কৰি আৰু সেইবোৰ বিে ষণ কৰি তেখেতৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ বিকাশৰ বাবে কি ধৰণে আগবাঢ়িব লাগিব সেইবিষয়ে পৰিকল্পনা কৰিছিল।

কিছুদিনৰ আগতে পদোন্নতি পাই স্কুলৰ নেতৃত্ব বহন কৰা শ্ৰীমতী বৰুৱাই তেখেতৰ তিনিগৰাকী সহকৰ্মীয় ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞানৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ শিক্ষণ পদ্ধতি খাপখুৱাই শিক্ষাদান কৰাৰ পিচত কি ধৰণৰ ফলাফল পাইছিল সেই বিষয়ে জানিবলৈ পৰম আগ্ৰহান্বিত আছিল। শ্ৰীমতী বৰুৱাই তেখেতৰ এই ধৰণৰ পথৰ (approach) বিষয়ে জানিবলৈ দিছিল।

## পদক্ষেপ ১ ঃ শিক্ষকসকলক গঠনভিত্তিক মূল্যায়নৰ সৈতে চিনাক্তকৰণ (Step 1: Familiarising teachers with formative assessment)

যেতিয়া মই শিক্ষকসকলৰ সৈতে কথোপকথনৰ মাধ্যমেৰে জানিব বিচাৰিছিলো যে বৃহৎ আৰু বৈচিত্ৰপূৰ্ণ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকন সম্বন্ধে কিদৰে পৰীক্ষা কৰিব পৰা যায় আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ শিকনত কিদৰে সহায় কৰিব পৰা যায়, তেতিয়া প্ৰায়বোৰ শিক্ষকৰ মুখতেই এটি ভাবলেশহীন অভিব্যক্তি দেখিবলৈ পাইছিলো।
শিক্ষকসকলে বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীক এটা পাঠ পঢ়ুৱাবলৈ গৈ কি ধৰণৰ অসুবিধাৰ সন্মুখীন হয় সেই বিষয়ে মোক ক'বলৈ আগ্ৰহী আছিল। কিন্তু তেওঁলোকে ছাত্ৰৰ বৰ্তমানৰ শিকনৰ স্তৰৰ বিষয়ে সঠিক ভাৱে জনাৰ পিচত ইয়াক কি ধৰণে সাৰ্থকভাৱে শিক্ষাদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি সেইবিষয়ে বুজি পোৱা নাছিল। সেয়ে মই কিদৰে গঠনভিত্তিক মূল্যায়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শিকন প্ৰত্ৰি য়াৰ বিকাশ ঘটাব পাৰি সেইবিষয়ে তেওঁলোকৰ সৈতে আলোচনা কৰিবলৈ ল'লো।

## পদক্ষেপ ২ ঃ শিক্ষকসকলৰ গঠনভিত্তিক মূল্যায়নৰ ব্যৱহাৰিক পৰিচয়কৰণ ঃ বিদ্যালয় মুৰব্বীয়ে পোৱা শ্ৰেণীৰ পৰ্যৱেক্ষণ (Step 2: Practical exposure of teachers to formative assessment: observing a class taken by the school leader)

মই উপলব্ধি কৰিছিলো যে কেৱল কথোপকথনৰ মাধ্যমেৰে মই কি বুজাব বিচাৰিছো সেই বিষয়ে শিক্ষকসকলক প্ৰত্যয় জন্মাবলৈ অসুবিধা হ'ব। গতিকে মই পাঠদান কৰা এটা শ্ৰেণীলৈ তেওঁলোকক মাতিবলৈ মনস্থ কৰিলো, যাতে মই কি বুজাব খুজিছো সেই বিষয়ে তেওঁলোকে নিজে ব্যৱহাৰিক ওজন লাভ কৰিব পাৰে। তেওঁলোকৰ নিৰীক্ষণৰ সুবিধাৰ্থে মই এটা গণিতৰ আৰু এটা ভাষাৰ (language) পাঠ ল'বলৈ মনস্থ কৰিলো। মই তেওঁলোকক পাঠদান কৰি থকা সময়ত কিমান বিভিন্ন ধৰণে মূল্যায়ন কৰি থকা হৈছে আৰু কিমান বাৰ মূল্যায়ন কৰা হৈছে সেইবিষয়ে লিপিবদ্ধ কৰি যাবলৈ কলো। এইধৰণৰ মূল্যায়নসমূহ মই ছাত্ৰ-ছাত্ৰীসকলক বা ছাত্ৰ-ছাত্ৰীসকলে নিজেই নিজক কৰা —দুই ধৰণৰ হ'ব পাৰে। মই শিক্ষকসকলক কিদৰে মূল্যায়নসমূহৰ খতিয়নে ৰখা হৈছে আৰু মোৰ শিক্ষণৰ বিষয়ে অৱগত কৰাবলৈ কিধৰণে মূল্যায়ন ব্যৱহাৰ কৰিছো—এই সকলোবোৰ লিপিবদ্ধ কৰিবলৈ কলো। উদাহৰণস্বৰূপে - মই কি প্ৰ   কৰিলো, কি মন্তব্য (comment) দিলো আৰু কি উদাহৰণ প্ৰয়োগ কৰিছো এই সকলোবোৰ লিখিত ৰূপত সন্নিবিষ্ট কৰিবলৈ ক'লো।

ছাত্ৰ-ছাত্ৰীৰ কিবা কথাত খোকোজা লাগিলে মই কি মন্তব্য কৰিছিলো আৰু সময়ে সময়ে মোৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক কি ধৰণৰ সঁহাৰি (feedback) প্ৰদান কৰিছিলো—শিক্ষকসকলে তেওঁলোকৰ লিখিত টোকাত সেইবোৰ সন্নিবিষ্ট কৰাটো বিশেষ গুৰুত্বপূৰ্ণ বুলি মই মন্তব্য দিছিলো। মই এই কথাত এইবাবেই গুৰুত্ব দিছিলো যাতে শিক্ষকসকলে উপলব্ধি কৰিব পাৰে যে শিক্ষকৰ পৰা পোৱা তাৎক্ষণিক সঁহাৰি ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিকাশৰ বাবে কিমান প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ।

## পদক্ষেপ ৩ ঃ বিদ্যালয় মুৰব্বীয়ে পাঠদান কৰা সম্পৰ্কত পৰ্যৱেক্ষণ কৰা শ্ৰেণী সম্পৰ্কে শিক্ষকৰ সৈতে আলোচনা (Step 3: Discussion with teachers on the observed classroom teaching of the school leader)

উপৰোক্ত শ্ৰেণী নিৰীক্ষণৰ পিছৰ পৰ্যায়ত শিক্ষকসকলৰ সৈতে মই শিক্ষণ আৰু শিকনৰ অঙ্গ হিচাবে মূল্যায়নক ব্যৱহাৰ কৰা পথৰ বিষয়ে আলোচনাৰ বাবে এখন সভা পাতিছিলো। শ্ৰেণীকোঠাত মই ছাত্ৰসকলক দুজনীয়া বা ততোধিক দলত কাম কৰিবলৈ দিয়াৰ পিচত তেওঁলোকক কিদৰে পৰস্পৰে পৰস্পৰক মূল্যায়ন কৰিবলৈ কৈছিলো আৰু তাৰ ওপৰত শিক্ষক হিচাবে মোৰ নিজৰ সঁহাৰি (feedback) জনাই দিলো— এই কথাত শিক্ষকসকলে আশ্চৰ্য্য প্ৰকাশ কৰিছিল।

এই আলোচনাৰ বিস্তৃত পৰিসৰৰ পৰা শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ মূল্যায়নৰ বাবে শিক্ষকে সুধিবলগীয়া কিছুমান প্ৰশ্নৰ তালিকা তৈয়াৰ কৰাত সহায় কৰিছিল। এই প্ৰশ্নসমূহ ব্যৱহাৰ কৰোতে ই ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ সহায়ক হোৱাৰ পৰিবৰ্তে যাতে তেওঁলোকৰ মনত অযথা ভয়ৰ সৃষ্টি নকৰে বা তেওঁলোক বিব্ৰত মহয়, মই সেইবিষয়ে সতৰ্ক আছিলো। কোনো এজন ছাত্ৰই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে সেইটো অইন এজন ছাত্ৰক চেষ্টা কৰিবলৈ দিব লাগে। শিক্ষকে লগে লগে এইটোও লিপিবদ্ধ কৰিব লাগিব যে বুজাত কিবা এটা অসুবিধাৰ সৃষ্টি হৈছে।

## পদক্ষেপ ৪ ঃ শ্ৰেণীসমূহত গঠনভিত্তিক মূল্যায়ন ব্যৱহাৰ কৰা শিক্ষকৰ পৰ্যৱেক্ষণ (Step 4: Observing teachers using formative assessment in their classes)

মই শিক্ষকসকলক কৈছিলো যে এমাহৰ ভিতৰত তেওঁলোকে শ্ৰেণীত পাঠদান কৰাৰ সময়ত নিৰীক্ষণৰ বাবে যেন মোক আমন্ত্ৰণ জনায়। কাৰণ এই নতুন ধাৰণাবোৰ অভ্যাসৰ বাবে তেওঁলোকক কিছু সময়ৰ প্ৰয়োজন হ'ব। মই তেওঁলোকক কৈছিলো যিহেতু মই বহুত শ্ৰেণীত উপস্থিত থাকিব লাগিব, প্ৰতিটো শ্ৰেণীত সংঘটিত হোৱা ঘটনাবোৰ মনত ৰখাটো মোৰ বাবে সম্ভৱ নহ'ব। গতিকে মই মোৰ নিৰীক্ষণৰ টোকা লিপিবদ্ধ কৰি যাম। মই মোৰ নিৰীক্ষণৰ সময়ত এইটো দেখিবলৈ পাই আনন্দিত হৈছিলো যে শিক্ষকসকলে কৰা প্ৰশ্নবোৰে ছাত্ৰ-ছাত্ৰীক চিন্তা কৰিবলৈ বাধ্য কৰাইছে আৰু শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীসকলে কি বুজি পাইছে সেইটো জনাৰ অৱকাশ পাইছে। মই এইটোও লক্ষ্য কৰিছিলো যে কোনো কথাতে ছাত্ৰ-ছাত্ৰীসকলৰ খোকোজা লাগিলে শিক্ষকে তেওঁলোকক প্ৰয়োজনীয় তথ্য বা সঁহাৰিৰ দ্বাৰা সহায় কৰিছে। সৰহভাগ শ্ৰেণীতেই ছাত্ৰ-ছাত্ৰীসকল লক্ষণীয় ভাৱে জৰিত হৈ পৰিছিল আৰু প্ৰয়োজনীয় সঁহাৰি বা প্ৰতিক্ৰিয়া দিবলৈ সক্ষম হৈ আছিল।

## পদক্ষেপ ৫ ঃপুনৰালোচনা আৰু পৰ্যৱেক্ষণ (Step 5: Review and reflection)

নিৰীক্ষণৰ পৰ্যায় শেষ হোৱাৰ পিচত আমি পুণৰ পূৰ্বৰ প্ৰশ্ন-তালিকাখন পৰীক্ষা কৰিলো আৰু তাত কিছুমান নতুন প্ৰশ্ন সন্নিবিষ্ট কৰিলো। মোৰ বিদ্যালয়ৰ সকলো শিক্ষক -শিক্ষয়ত্ৰীৰ সৈতে এই আলাপ আলোচনাৰ পিচত নিম্নলিখিত কামবোৰ কৰিবলৈ সিদ্ধান্ত কৰিলো।

- তেওঁলোকে সন্মুখীন হোৱা অসুবিধাবোৰৰ বিষয়ে আলোচনা।
- তেওঁলোকে শ্ৰেণীকোঠাত কি আৰু কেনেধৰণে মূল্যায়ন কৰিবলৈ চেষ্টা কৰিছিল। সেই অভিজ্ঞতাৰ পৰস্পৰে পৰস্পৰক জানিবলৈ দিয়া আৰু ইয়াৰ পিচত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিবলৈ কি কৰা উচিত সেইবিষয়ে মোটামুটি ভাৱে এটা সিদ্ধান্তত উপনীত হোৱা।
- তেওঁলোকৰ ব্যক্তিগত শিক্ষণ-শিকন পদ্ধতিৰ পৰিবৰ্তন ঘটোৱা।
- নতুন পৰিকল্পনাৰ বিষয়ে ইজনে সিজনক জানিবলৈ দিয়া।

এগৰাকী শিক্ষয়ত্ৰী শ্ৰীমতী হাজৰিকাই সেই আলাপ-আলোচনাৰ সময়ত তেখেতৰ এটি আৰ্হি (idea) সকলোৰে আগত ডাঙি ধৰিছিল

আৰু পৰৱৰ্তী সময়ত বহুতো শিক্ষকে সেই আৰ্হি তেখেতসকলৰ শ্ৰেণীকোঠাত প্ৰয়োকৰিছিল। শ্ৰীমতী হাজৰিকাই আমাক জানিবলৈ দিছিল যে গণিতৰ পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলক ততালিকে মূল্যায়নৰ বাবে ধেমেলীয়াভাৱে এটা প্ৰণালী ব্যৱহাৰ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক কিবা এটা গাণিতিক ধাৰণাত খোকোজা লাগিলে হাতখন মেলি ওপৰলৈ ডাঙি দৰিবলৈ কৈছিল আৰু যদি তেওঁলোকে ভালদৰে বুজি পাইছে তেনেহ'লে হাতখন মুঠি মাৰি ওপৰলৈ ডাঙি ধৰিবলৈ কৈচিল। এই ধৰণৰ মূল্যায়ন প্ৰণালী তেখেতে পাঠটোৰ যিকোনো পৰ্যায়তে ব্যৱহাৰ কৰি পাঠদানৰ গতি কিছু লেহেমীয়া কৰিব লাগিব সেই বিষয়ে জনাৰ সুযোগ লাভ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ফালৰ পৰা এটা অতিৰিক্ত মুদ্ৰা সংযোজন কৰিব বুলি শিক্ষকক ক'লে, যেতিয়া পাঠটো তেওঁলোকে প্ৰায় বুজি উঠিব তেতিয়া পাঠটোহাত ওপৰলৈ তুলি এবাৰ মেলি আৰু এবাৰ মুঠি মাৰি শিক্ষকক ইংগিত দিব। এতিয়া আমাৰ মাজৰ বহুতেই এই কৌশল প্ৰয়োগ কৰো। কেতিয়াবা ছাত্ৰ-ছাত্ৰীক আমি  নোসোধাকৈয়ে তেওঁলোকে এই মুদ্ৰা ব্যৱহাৰ কৰে।

শ্ৰীমতী হাজৰিকাৰ এই ক্ষিপ্ৰ আৰু উপযোগী কৌশলৰ দ্বাৰা তেওঁ পঢ়োৱা পাঠ ছাত্ৰসকলে বুজি পাইছেনে নাই জনাৰ সুযোগ দিয়ে। কিন্তু নেতৃত্ববহনকাৰী হিচাবে এই কৌশল গঠনভিত্তিক ভাৱে ব্যৱহাৰ কৰা হৈছে নে সেইটো জানিবলৈ তলত উল্লেখিত বিষয়ত চকু ৰখাৰ প্ৰয়োজন আছে ঃ

- ছাত্ৰ-ছাত্ৰীসকলে কি কৰিবলৈ গৈছে সেইবিষয়ে তেওঁলোক ও  তেনে ? তেওঁলোকে কি বিচাৰে মনৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ কৃতকাৰ্যতা সম্বন্ধে নিজেই নিৰূপণ কৰিব? শ্ৰীমতী হাজৰিকাই হয়তো তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলে শিকিবলগীয়া কিছুমান দক্ষতাৰ বিষয়ে বোৰ্ডত লিখিছিল বা গণিতৰ এটা কঠিন প্ৰ.ন সমাধান কৰিবলৈ দিছিল। গতিকে ছাত্ৰ-ছাত্ৰীসকলে সেই দক্ষতাবোৰৰ বিষয়ে জানে নে নাই বা গণিতৰ প্ৰ.নটো সমাধান কৰিব পাৰে নে নাই সেইবিষয়ে নিৰ্ণয় কৰিব পাৰিব।
- মূল্যায়নৰ ফলত কি হয়? মূল্যায়নৰ ফলাফল বিচাৰ কৰি পৰৱৰ্তী পৰ্যায়ত  শিকনৰ কাৰ্যবোৰৰ যদি অলপ সালসলনি ঘটোৱা হয়, সেইধৰণৰ মূল্যায়নহে গঠনভিত্তিক বোলা হয়। শ্ৰীমতী হাজৰিকাই যেতিয়া দেখিছিল যে তেখেতৰ ছাত্ৰ-ছাত্ৰীসকলে বুজাত অসুবিধা পাই, তেখেতে পাঠদানৰ গতি কিছু লেহেমীয়া কৰিছিল, কিন্তু কেতিয়াবা শিক্ষকসকলে অইন ধৰণৰ আৰ্হিৰে দ্বাৰাও প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিকাশত সমল যোগাব পাৰে।

## ৩। আপোনাৰ বিদ্যালয়ত মূল্যায়ন অভ্যাসন (3 Assessment practice in your school)

শিকনৰ দক্ষতাৰ বাবে এই মূল্যায়নবোৰৰ বিকাশ ঘটোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰা উচিত। ইয়াৰ বাবে বিদ্যালয়ৰ নেতৃত্ব বহনকৰ্ত্তা আৰু শিক্ষকসকলে তলত দিয়া কথাসমূহ আয়ত্ব কৰিব পাৰিব লাগিব ঃ

- শিকনৰ বাবে মূল্যায়নৰ নীতি (Principle) সম্পৰ্কে বুজা উচিত।
- শ্ৰেণীকোঠাৰ কাৰ্যৰ মাধ্যমেৰে এই ধৰণৰ দক্ষতাৰ বিকাশ কি দৰে সাধিব পাৰি সেই সমবন্ধে জনা উচিত। এইধৰণৰ ত্ৰি য়াকলাপে ছাত্ৰ-ছাত্ৰীৰ পৰা সঁহাৰি পোৱাৰ ক্ষেত্ৰত কি ধৰণৰ সুযোগ প্ৰদান কৰে আৰু শিক্ষকে তেওঁলোকৰ শিক্ষণ আৰু শিকন পদ্ধতিৰ পৰিকল্পনাৰ ক্ষেত্ৰত কিদৰে অধিক ফলপ্ৰসূ ভাৱে আগবাঢ়িব পাৰে সেই বিষয়েও জনা উচিত।
- এইধৰণৰ ত্ৰি য়াকলাপে ছাত্ৰ-ছাত্ৰীৰ পৰা সঁহাৰি পোৱাৰ ক্ষেত্ৰত কি ধৰণৰ সুযোগ প্ৰদান কৰে আৰু শিক্ষকে তেওঁলোকৰ শিক্ষণ আৰু শিকন পদ্ধতিৰ পৰিকল্পনাৰ ক্ষেত্ৰত কিদৰে অধিক ফলপ্ৰসূ ভাৱে আগবাঢ়িব পাৰে সেই বিষয়েও জনা উচিত।

আপোনাৰ বিদ্যালয়ত পৰিবৰ্ত্তিত মূল্যায়ন পদ্ধতিপ্ৰৱৰ্তন কৰাৰ আগেয়ে বৰ্তমান কি গতি আছে আৰু শিক্ষকসকলে মূল্যায়নক কি দৃষ্টিভঙ্গীৰে চায় সেইবিষয়ে আপুনি বুজি পোৱা নিতান্তই প্ৰয়োজনীয়। ইয়াৰ পিছৰ কাৰ্যৰ মুখ্য উদ্দেশ্য হ'ল- ই আপোনাৰ বিদ্যালয়ত চলি থকা মূল্যায়নৰ বিষয়ে জানিবলৈ আপোনাক সহায় কৰিব আৰু ইয়াৰ ফলত আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলক সৃজনীমূলক কৌশল গ্ৰহণ কৰি শ্ৰেণীত মূল্যায়ন কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আপুনি সমৰ্থ হ'ব।

## বিষয় অধ্যয়ন ২ ঃ বিদ্যালয়ৰ মূল্যায়ন পদ্ধতি নিৰীক্ষণ (Activity 2: Looking at assessment practice in your school)

আপোনাৰ বিদ্যালয়ৰ অধিকতম পাঁচজন শিক্ষকক সেই সপ্তাহত তেওঁলোকে কৰা এটাকৈ মূল্যায়ন পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰিবলৈ দিয়ক। সেই মূল্যায়ন পদ্ধতিৰ পৰা তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ বিষয়ে কি ওজন লাভ কৰিলে তথা ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ পৰা কি শিকিলে সেইবিষয়ে প্ৰ.ন কৰক।

তেওঁলোকে কি পৰিসৰত গঠনভিত্তিক মূল্যায়ন ব্যৱহাৰ কৰিছে সেইবিষয়ে অনুসন্ধান কৰিবলৈ আপুনি শিক্ষকসকলক এনে কিছুমান উদাহৰণ দিবলৈ দিয়ক যিবোৰত তেওঁলোকে ছাত্ৰ-ছাত্ৰীক তাৎক্ষণিকভাৱে মূল্যায়নৰ সঁহাৰি দিছে বা ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিকাশ ঘটাবলৈ শিকন প্ৰত্ৰি য়া সলনি কৰিছে।

ইয়াৰ পৰা আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলে তেওঁলোকৰ অজানিতেই গঠনভিত্তিক মূল্যায়ন ব্যৱহাৰ কৰি আছে নেকি সেইবিষয়ে জনাত আপোনাক সহায় কৰিব। এইখনি আলাপআলোচনাৰ অন্তত আপুনি তলৰ প্ৰ.নসমূহৰ উত্তৰ আপোনাৰ শিকন দিনলিপিত লিপিবদ্ধ কৰক ঃ

- কি ধৰণৰ মূল্যায়ন সচৰাসচৰ ব্যৱহাৰ কৰা হয়?
- গঠনভিত্তিক মূল্যায়ন সংঘটনৰ সাক্ষ্যপ্ৰমাণ পোৱা গৈছে নেকি? যদি পাইছে, উদাহৰণ সহ উল্লেখ কৰক।
- শিক্ষকসকল সঁচাকৈয়ে ছাত্ৰ-ছাত্ৰীয়ে মূল্যায়নৰ পৰা শিকনৰ ক্ষেত্ৰত আগ্ৰহান্বিত হয়নে? অইন কথাত ক'বলৈ গ'লে তেওঁলোকে শিকনৰ বাবে শিকনৰ বিষয়ে বুজি পাইছেনে নাই?
- শিক্ষকসকলে আপোনাৰ লগত আলোচনা কৰা মূল্যায়নসমূহৰ ব্যৱহাৰ বা এইবোৰৰ উদ্দেশ্য সলনি কৰি গঠনভিত্তিক কৰিবলৈ আপুনি কি ধৰণৰ পৰামৰ্শ দিব।

### আলোচনা Discussion

আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ পাৰিপাৰ্শ্বিক অৱস্থা আৰু তেওঁলোকে পাঠ্যত্ৰ মৰ তাৎপৰ্য কি ধৰণে বুজি পাইছে ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁলোকে কোনো এটা ধৰণৰ মূল্যায়নৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব পাৰে। আপুনি এইবিষয়েও সজাগ থকাটো প্ৰয়োজন যে শিক্ষকসকলে উত্তৰবোৰ আপুনি বিচৰা ধৰণে দি আপোনাক সন্তুষ্ট কৰিবলৈ বিচাৰিছে নেকি?

আপুনি হয়তো পাঠ্যত্ৰ মৰ কোনোবা অংশত এনে এটা উৎকৃষ্ট ৰীতি উদঘাটন কৰিব যিটো আপোনাৰ বিদ্যালয়ত এটা আদৰ্শ ৰীতিহিচাবে প্ৰচলন কৰিব পাৰে। আপুনি হয়তো এই ৰীতিৰ বিষয়ে শিক্ষকসকলৰ সৈতে এখন সভাত আলোচনা কৰিবলৈ ভাল পাব। সভাত নিশ্চয়কৈ আপুনি মূল্যায়নৰ পৰা শিকনৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু আপুনি আবিষ্কাৰ কৰা গঠনভিত্তিক মূল্যায়নৰ প্ৰকৃত ব্যৱহাৰৰ ওপৰত আলোকপাত কৰিব। আপুনি বিদ্যালয়ত ঘূৰা পকা কৰাৰ সময়তো মূল্যায়নৰ ওপৰত আপোনাৰ মনোযোগ অক্ষুণ্ণ ৰাখিব যাতে মূল্যায়নৰ বাবে কোনো ভাল ৰীতিৰ ক্ষেত্ৰ চিনাক্ত কৰিব পাৰে আৰু কোনো শিক্ষকে বিচাৰিলে অতিৰিক্ত ভাৱে তেওঁলোকক সহায় কৰিব পাৰে।

আপুনি হয়তো কেইজনমান শিক্ষকৰ সৰু দল এটাৰ লগত ঘনিষ্ঠভাৱে কাম কৰি তেওঁলোকক নিয়মিতভাৱে গঠনভিত্তিক মূল্যায়নৰ সুযোগৰ ক্ষেত্ৰবোৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিবলৈ বিচাৰিব পাৰে।

## ছাত্ৰ-ছাত্ৰীসকলক জড়িতকৰণ (Involve the students)

আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ দূৰদৃষ্টি আৰু মূল্যায়নৰ ওপৰত তেওঁলোকৰ দূৰদৃষ্টি —এই দুয়োটাই গুৰুত্বপূৰ্ণ। অৱশ্যে তেওঁলোক এই প্ৰক্ৰিয়াৰ মাথো এটা অংশহে। এখন বিদ্যালয়ত গঠনভিত্তিক মূল্যায়নৰ সফলতাৰ মূল ভেটিৰ সৈতে দুটা প্ৰশ্ন জড়িত হৈ আছে—

1. শিক্ষকসকলে মূল্যায়নৰ সুযোগসমূহৰ (oppotunities) পৰা ছাত্ৰ-ছাত্ৰীসকলৰ শিকনত ফলপ্ৰসূ ভাৱে সহায় কৰিবলৈ উপযুক্ত তথ্যসমূহ লাভ কৰিছেনে?
2. ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে শিকনৰ বাবে পাবলগীয়া সঁহাৰিসমূহ লাভ কৰিছেনে যাৰ দ্বাৰা তেওঁলোকৰ বুৎপত্তি (abilities) বৃদ্ধি পাব?

ছাত্ৰ-ছাত্ৰীসকলৰ গঠনভিত্তিক মূল্যায়নৰ বিষয়ে তেওঁলোকৰ অভিজ্ঞতা আৰু মূল্যায়ন আৰু সঁহাৰি লাভৰ প্ৰণালী কিদৰে আগতকৈ উন্নত কৰিব পাৰি, সেইবিষয়ে তেওঁলোকে কিবা পৰামৰ্শ দিব নেকি এই বিষয়ে প্ৰশ্ন কৰিবলৈ কিছু সময় শ্ৰেণীত শিক্ষকে ৰখাটো গুৰুত্বপূৰ্ণ। মূল্যায়নৰ প্ৰতিটো সুযোগত ছাত্ৰ-ছাত্ৰীক জড়িত কৰাটো আদৰ্শগতভাৱে এইবাবেই প্ৰয়োজনীয় যাতে ছাত্ৰ-ছাত্ৰীসকলে মূল্যায়নৰ পৰা কি ধৰণে লাভান্বিত হ'ল সেইবিষয়ে বুজিব পাৰে আৰু শিকনৰ পৰৱৰ্তী পদক্ষেপৰ বিষয়ে যুটীয়াভাৱে চিনাক্ত কৰিব পাৰে। এই ধৰণৰ মূল্যায়নক বৈশিষ্টমূলক মূল্যায়ন (Differentiated assessment) বুলিও কোৱা হয়। “নিৰীক্ষণ আৰু সঁহাৰি” লাভৰ বাবে আপোনাৰ বিদ্যালয়ৰ দলটোৰ সৈতে ভাৱ বিনিময় কৰাত সমল 2 (Resource 2) সহায়ক হ'ব পাৰে।

## ৪। শিকন লক্ষ্য প্ৰতিষ্ঠা কৰা (4 Establishing learning goals)

শিক্ষকে যেতিয়া জানিব যে তেওঁৰ ছাত্ৰসকলৰ শিকন কোন দিশে গতি কৰি আছে, সেই ক্ষেত্ৰতহে গঠনভিত্তিক মূল্যায়ন ফলপ্ৰসূ হয়। শৈক্ষিক বৰ্ষৰ শেষপৰ্যন্ত শিক্ষকসকলৰ কিবা নিৰ্দ্দিষ্ট লক্ষ্য আছে নে নাই সেইবিষয়ে নিশ্চিত হোৱাটো বিদ্যালয় নেতৃত্ববহনকাৰী হিচাবে আপোনাৰ দায়িত্ব। যেনে- শিক্ষকসকলে কি কি পাঠ পঢ়ুৱাব আৰু এটা নিৰ্দ্দিষ্ট কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য ইত্যাদি।

গঠনভিত্তিক মূল্যায়ন ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষকসকলক সহায় কৰিবলৈ ছাত্ৰসকলৰ বাবেও হ্ৰস্বকালীন, মধ্যকালীন আৰু দীৰ্ঘকালীন সুস্পষ্ট লক্ষ্য ৰখাটো প্ৰয়োজনীয়। এটা দৃঢ়ভাৱে স্বীকৃত নীতি (Rubric) ব্যৱহাৰ কৰি কিদৰে আপোনাৰ শিক্ষকসকলক এই ক্ষেত্ৰত সহায় কৰিব পাৰে এই বিষয়ে ভাবিবলৈ কাৰ্য 3 য়ে আপোনাক সহায় কৰিব। সমল 3 (Resource 3) য়ে সাফল্যৰ বিভিন্নস্তৰৰ মূল্যায়নৰ বাবে কিদৰে এটা স্বীকৃত নীতি (Rubric) লিখিব লাগে সেই বিষয়ে দিকদৰ্শন কৰিব। তালিকা 1 আৰু 2 হ'ল বিভিন্ন স্তৰত বিভিন্ন নীতিৰ আধাৰত তৈয়াৰ কৰা দুখন পৰস্পৰ বিৰোধী স্বীকৃত নীতিৰ (Rubric) উদাহৰণ।

Rubric শব্দৰ অৰ্থ হ'ল কোনো দৃঢ়ভাৱে স্বীকৃত নীতি। পৰৱৰ্তী পৰ্যায়ত আমি সুবিধাৰ বাবে Rubric শব্দটোৱে ব্যৱহাৰ কৰিম।

*তালিকা 1 ঃ মধ্য আৰু উচ্চ বিদ্যালয়ৰ বাবে মুখ্য বিচাৰ সম্বলিত Rubric (উৎস ঃ শৈক্ষিক ফল, তাৰিখবিহনী)*

| সাফল্যৰ ঢাপ | ধাৰণা ঃ তাৎপর্য উদ্ধাৰ কৰা | সাক্ষ্যপ্ৰণানঃ পাঠ্যপুথিৰ সহায় লোৱা | প্ৰতি য়া ঃ অইন ছাত্ৰৰ সৈতে আৰু পৰা শিকন |
|---|---|---|---|
| 7<br>তাৎপর্য বিস্তাৰ | বিষয়বস্তুৰ তাৎপর্য উদ্ধাৰৰ বাবে ভাৰ বিনিময়<br>• মূল বিষয়বস্তু, বিচাৰ্য বিষয়বস্তু, লিখকৰ দূৰদৃষ্টিৰ সৈতে পৰিচয়<br>• পৰিসৰৰ বাহিৰলৈ গৈ বিষয়বস্তুৰ ওপৰত আলোচনা | সমগ্ৰ বিষয়বস্তুৰ পৰা সাক্ষ্যপ্ৰমাণ একত্ৰিতকৰণ<br>• মূল ঘটনা আৰু সূক্ষ্ম ঘটনাৰ ব্যৱহাৰ<br>• সাক্ষ্যপ্ৰমাণৰ তুলনা আৰু গুৰুত্ব বিবেচনা কৰক | আন ছাত্ৰৰ ধাৰণা সম্বন্ধে জানক<br>• আন ছাত্ৰৰ ধাৰণা জানিবলৈ প্ৰ.ন কৰক আৰু সম্ভাৱনাৰ বিষয়ে পৰামৰ্শ দিবলৈ কওঁক<br>• আনৰ ধাৰণাৰ ওপৰত পৰামৰ্শ দিয়ক |
| 6<br>তাৎপর্য গঠন | নিজৰ ধাৰণা বহলাই ব্যাখ্যা কৰক<br>• পদৰ সংজ্ঞা দিয়ক, অৰ্থ অন্বেষণ কৰক<br>• স্ববিৰোধী কথাবোৰ সমাধান কৰ | ভিন ভিন অধ্যায়ৰ পৰা ঘটনা বনাওক<br>• চিন্তন প্ৰতি য়াৰ উৎস নিৰ্ণয় কৰক<br>• আলোচনাৰ সময়ত সাক্ষ্য প্ৰমাণ যোগ কৰক | আন ছাত্ৰৰ ধাৰা আৰু সাক্ষ্যপ্ৰমাণ সংগবদ্ধ কৰক<br>• কোনো বিশেষ অংশৰ সৈতে সহমত হওঁক বা দ্বিমত প্ৰকাশকৰণ<br>• সমগ্ৰ আলোচনা অনুধাৱন কৰক |
| 5<br>উত্তৰ ব্যাখ্যা কৰক | কিদৰে এটা ধাৰণাই কিছুমান প্ৰ.নৰ উত্তৰ দিয়ে ব্যাখ্যা কৰক<br>• কাৰ্য আৰু চৰিত্ৰৰ মাজত পৰস্পৰ সম্বন্ধ স্থাপন কৰক<br>• স্পষ্ট কৰিবলৈ নিজৰ অনুমান সম্বন্ধে কওঁক, এইবোৰৰ সৈতে প্ৰশঅনৰ সম্বন্ধ স্থাপন কৰক | কিদৰে এটা অধ্যায়ে কোনো এটা ধাৰণাৰ পৃষ্ঠপোষকতা কৰে ব্যাখ্যা কৰক<br>• প্ৰাসংগিক শব্দ, বাক্যাংশৰ শব্দ আৰু গূঢ়াৰ্থ অন্বেষণ<br>• সাক্ষ্যপ্ৰমাণে নিজৰ ধাৰণাৰ বিপৰীতে কাম কৰে নেকি চাওক | আপোনাৰ সম্মতি আৰু অসম্মতিৰ কাৰণ দিয়ক আৰু ব্যাখ্যা কৰক<br>• আন ছাত্ৰ-ছাত্ৰীৰ ধাৰণা সমৰ্থন বা সমালোচনা কৰক<br>• অইন ছাত্ৰ-ছাত্ৰীক সৰল প্ৰ.ন কৰক |
| 4<br>বিষয়বস্তুৰ বুজক | তাৎপর্য উদ্ধাৰ কৰা বিষয়বস্তু ভালদৰে বুজি উঠক<br>• উদ্দেশ্য আৰু কাৰণ সিদ্ধান্ত কৰক, প্ৰ.নবোৰৰ প্ৰত্যক্ষ উত্তৰ দিয়ক<br>• উত্তৰবোৰ বহলাই কৈ সুস্পষ্ট কৰক | সাক্ষ্যপ্ৰমাণৰ প্ৰয়োজনীয়তা বুজি উঠক<br>• স্বতঃস্ফূৰ্তভাৱে অধ্যায়টো পুনৰ চাওক<br>• প্ৰাসংগিক বাক্যত মনোযোগ দিয়ক | আন ছাত্ৰৰ ধাৰণা বুজি উঠক আৰু মোটামুটিভাৱে সাৰাংশ নিৰ্ণয় কৰক<br>• আনৰ যুক্তি মানি লওঁক<br>• অইনৰ যুক্তি ৰ কাৰণ বুজিবলৈ চেষ্টা কৰক |
| 3<br>বিফলতা চিনাক্ত কৰণ | কোনো এটা বিবেচিত উত্তৰ সমৰ্থন কৰক, বিকল্প ধাৰণাৰ বিষয়ে অৱগত<br>• দুয়োটা উত্তৰৰ মাজত দ্বিধা থাকিব পাৰে<br>• স্পষ্ট হ'বলৈ উত্তৰ নিজৰ ভাষাত লিখক | বিকল্প উত্তৰৰ বিপৰীতে আপোনাৰ উত্তৰ পৃষ্ঠপোষকতা কৰক<br>• প্ৰাসংগিক মুখ্য অধ্যায় বিচাৰি উলিয়াওক<br>• গোটেই অধ্যায় পঢ়ক | বিকল্প উত্তৰ বাচি উলিয়াওক আৰু এই উত্তৰ মানি লওঁক বা দ্বিমত প্ৰকাশ কৰক |
| 2<br>সৰল আৰু ক্ষিপ্ৰ উত্তৰ দিয়ক | প্ৰ.নৰ সৰল আৰু ক্ষিপ্ৰতাৰে উত্তৰ দিয়ক<br>• I হয়নে নে নহয় ততালিকে ক'বলৈ দিয়ক<br>• স্পষ্ট কৰিবলৈ পুনৰবাৰ উত্তৰবোৰ কওঁক | নিজৰ ফালৰ পৰা সহায় আগবঢ়াবলৈ চেষ্টা নকৰিব; বিচাৰিলে সহায় কৰিব<br>• অধ্যায়ৰ মূল ঘটনা মনত পেলাওক | ক্ষিপ্ৰতাৰে-চমুকৈ অইন ছত্ৰ-ছাত্ৰীৰ উত্তৰ প্ৰতিত্ৰি য়া প্ৰকাশ কৰক |
| 1<br>উত্তৰ দিবলৈ আৰম্ভ কৰক | প্ৰ.নবোৰৰ উত্তৰ নিদিয়াকৈ অধ্যায়ৰ বিষয়ে কওক | পুনৰবাৰ গল্প বা ঘটনাটো ক'ব পাৰে নাইবা অধ্যায়ত থকা কিবা ঘটনাৰ ওপৰত মতামত দিয়ক | অইনৰ কথাত বাধা নিদিয়াকৈ তেওঁলোকক ক'বলৈ দিয়ক |

*তালিকা 2 ঃ প্ৰাথমিক পৰ্যায়ৰ বাবে চাৰুকলা* (Art) Rubric (*সমল ঃ ???)*

| বৰ্গীকৰণ | পাৰ্গত | পটু, নিপুণ | ন-শিকাৰু | বিকাশৰ প্ৰয়োজন |
|---|---|---|---|---|
| শিল্পনৈপুণ্য | অতি সুপৰিকল্পিত আৰু সূক্ষ্ম গঠন। কাষবোৰ নিমজ আৰু সূক্ষ্ম বেৰবোৰ বেধ সমপৰিমাণ। জোৰাবোৰ মজবুত আৰু অদৃশ্য গোটেইবোৰ পৃষ্ঠ মসৃণ, কোনো ওখোৰা মোখোৰা নাই। | গঠনবোৰ পৰিকল্পিত যদিও কিছু অসুষম, বেছি সংখ্যক কাষ নিমজ আৰু সূক্ষ্ম, জোৰাবোৰ মজবুত আৰু অদৃশ্য বেৰবোৰ সম বেধৰ, ওখোৰা মোখোৰা অংশ নিম্নতম, বেছিভাগ পৃষ্ঠই মসৃণ আৰু ওখোৰা মোখোৰা নথকা। | গঠনবোৰ অপৰিকল্পিত আৰু সুষম নহয়। কিছুসংখ্যক কাষ নিমজ যদিও বহুবোৰ কাষ সূক্ষ্ম নহয়, জোৰাবোৰ মজবুত যদিও দেখা যায়। বেৰবোৰৰ বেধ সমান নহয় আৰু ঠায়ে ঠায়ে ওখোৰা মোখোৰা। বেছিভাগ পৃষ্ঠই মসৃণ কিন্তু কিছু অংশত ওখোৰা মোখোৰা দেখা যায় | গঠনবোৰ অপৰিকল্পিত আৰু তাৰ বাবে চেষ্টাও দেখা নাযায় পৃষ্ঠবোৰৰ বেধ অসমান আৰু বহু ঠাইত ওখোৰা মোখোৰা। জোৰাবোৰ মজবুত নহয়। পৃষ্ঠ আৰু কাষবোৰ সূক্ষ্ম নহয়। |
| সৃজনশীলতা | নক্সা অদ্বিতীয়, অতুলনীয় আৰু কিছু ক্ষেত্ৰত নিজস্ব শৈলী দেখা যায়। বিতং সুসংবদ্ধ বিন্যাস, অন্য এই সকলোবোৰৰ সমাহাৰ দেখা যায়। | নক্সা অৰ্থব্যঞ্জক, কিছু পৰিমাণে আকৰ্ষীয় বৈশিষ্টতা আছে। কিছু পৰিমাণে মূলবস্তুৰ পৰা আঁতৰি অহা দেখা যায়। | নক্সাত স্বকীয়তা দেখা নাযায়, সম্পূৰ্ণ বিতং নহয় বা সঠিকভাৱে গঠনভংগী প্ৰকাশ নহয়, অইনৰ পৰা ধাৰণা নকল কৰাৰ সাক্ষ্যপ্ৰমাণ পোৱা যায়। | নক্সাত বহুতো উপাদান নাই অতিৰিক্ত কোনো বৈশিষ্ট দেখা নাযায় বা অইনৰ ধাৰণাৰ নকল কৰা দেখা যায়। স্বকীয়তা প্ৰকাশৰ কোনো চেষ্টা দেখা নাযায়। |
| প্ৰয়াস | শ্ৰেণীত পোৱা বেছিভাগ সময় ব্যৱহাৰ কৰি কাম সম্পূৰ্ণ কৰে। কাম সম্পাদন কৰোতে সময় আৰু প্ৰয়াস সুস্পষ্ট | শ্ৰেণীত পোৱা সময় কামৰ বাবে ব্যৱহাৰ কৰে যদিও কেতিয়াবা অমনোযোগী হয়। কামত শ্ৰেষ্ঠত্বা দেখা নাযায়। | বেছিভাগ সময়তে প্ৰকল্পৰ ওপৰত কেন্দ্ৰীভূত নহয়। সহজতে আনৰ দ্বাৰা বিভ্ৰান্ত হয়। | কামৰ গুণাগুণৰ প্ৰতি যত্নপৰ হোৱা দেখা নাযায়। কাম শেষ কৰিবলৈ অতিৰিক্ত প্ৰয়াস দেখা নাযায় |
| কৰ্মৰ প্ৰতি মনোভাৱ | ধনাত্মক পৰামৰ্শ ল'বলৈ আগ্ৰহী আৰু সমীহ সহ গ্ৰহণ কৰে। কাম কৰা ঠাই ভালদৰে পৰিস্কাৰ কৰি থয়। | পৰামৰ্শ গ্ৰহণ কৰে ইয়াৰ প্ৰতি সমীহ ভাৱ আছে। বেছিভাগ ক্ষেত্ৰতেই কাম কৰা ঠাই পৰিস্কাৰ কৰি থয়। | কামৰ উন্নতি ঘটাবলৈ দিয়া পৰামৰ্শৰ খোলা মনেৰে গ্ৰহণ কৰিবলৈ নিবিচাৰে। কামৰ ঠাই পৰিস্কাৰ কৰি থ'বলৈ অসুবিধা পায়। | কাম কৰা ঠাই পৰিস্কাৰ কৰিবলৈ অইনৰ গাৰ্লে ঠেলি দিয়ে। নিজৰ ওপৰত উচ্চ মনোভাৱ পোষণ কৰে আৰু আনৰ পৰামৰ্শ খোলা মনেৰে গ্ৰহণ নকৰে। |

## কাৰ্য ৩ ঃ শিকন লক্ষ্য প্ৰতিষ্ঠাৰ বাবে শিক্ষকসকলক সহায় আগবঢ়োৱা

## (Activity 3: Supporting teachers in establishing learning goals)

কথোপকথনৰ মাধ্যমেৰে বিদ্যালয়ৰ নেতৃত্ব বহনকৰ্ত্তাই শিক্ষকসকলক এটা গল্প নাট্যৰূপত লিখাৰ দক্ষতা মূল্যায়নৰ বাবে কিদৰে এটা স্বীকৃতি নীতি (Rubric) গঠন কৰিব লাগে সেইবিষয়ে কাম কৰাত কি ধৰণে সহায় কৰিছে সেই বিষয়ে তলত দিয়া আছে। আপুনি তলৰ কথোপকথনখিনি পায় যাওঁতে কিদৰে বিদ্যালয়ৰ নেতৃত্বকৰ্ত্তাই শিক্ষকসকলক কি কৰিব লাগিব সেই কথা কোৱাৰ পৰিৱৰ্তে তেওঁলোকক নিজে চিন্তা কৰাৰ অৱকাশ দিছে সেই বিষয়ে আপোনাৰ শিকন দিনলিপিত লিপিবদ্ধ কৰিব।

| | |
|---|---|
| **শিক্ষক** | মই ছাত্ৰ-ছাত্ৰীসকলক এটা গল্পৰ নাট্যৰূপ দিবলৈ কৈছো। নাট্যৰূপৰ আৰম্ভণিতে মঞ্চসজ্জা (setting), চৰিত্ৰ ৰূপায়ণ কৰিব (cast and characters), সেই বিষয়েও উল্লেখ কৰিবলৈ কৈছো। মই মঞ্চ পৰিচালনাত (stage direction), তেওঁলোকে ব্যৱহাৰ কৰিব পৰাকৈ কিছুমান শব্দৰ তালিকা কৰি বোৰ্ডত লগাই থৈছো। কিন্তু তেওঁলোকক দিয়া কামৰ বাবে কি ধৰণে এটা স্বীকৃত নীতি গঠন কৰিম সেই বিষয়ে নিশ্চিত হ'ব পৰা নাই। |
| **বিদ্যালয়ৰ মুৰব্বী** | প্ৰথমেই আপুনি এই বিষয়ে চিনাক্তকৰণ কৰক যে নাটকখন লিখাৰ দ্বাৰা আপুনি ছাত্ৰসকলৰ কি দক্ষতা প্ৰদৰ্শন হোৱাটো বিচাৰিছে? উদাহৰণস্বৰূপে, আপুনি চাৰ্টত লিখা সকলোবোৰ শব্দ তেওঁলোকে মঞ্চ পৰিচালনাৰ ক্ষেত্ৰত সন্নিবিষ্ট কৰাটো বিচাৰিছে নেকি? |
| **শিক্ষক** | সেই সকলোবোৰ সন্নিবিষ্ট কৰাটো সম্ভৱ বুলি আপুনি ভাবেনে? |
| **বিদ্যালয়ৰ মুৰব্বী** | সেইটো নিৰ্ভৰ কৰিব আপুনি কিমান শব্দ বোৰ্ডৰ চাৰ্টত সন্নিবিষ্ট কৰিছে আৰু সেইবোৰ সাধাৰণতে নাটক লিখাৰ ক্ষেত্ৰত সাধাৰণতে কিমান সঘনাই ব্যৱহাৰ কৰা হয়। |
| **শিক্ষক** | সেইবোৰৰ বেছিভাগেই সঘনাই ব্যৱহৃত হয়। মই মঞ্চপৰিচালনাৰ বাবে আঠটা শব্দ বোৰ্ডত প্ৰদৰ্শন কৰিছো। সকলোতকৈ সহজ শব্দ দুটা হ'ল— 'প্ৰৱেশ' আৰু 'প্ৰস্থান' আৰু কঠিন কেইটামান হ'ল 'মঞ্চৰ বাহিৰৰ পৰা', 'মঞ্চৰ তললৈ নামি', 'মঞ্চৰ মাজত থিয় হৈ কওঁক'..... ইত্যাদি। ... |
| **বিদ্যালয়ৰ মুৰব্বী** | গতিকে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মঞ্চ পৰিচালনাৰ ক্ষেত্ৰত এই সকলোবোৰ শব্দ ব্যৱহাৰ কৰি নাট্যৰূপ দিব তেওঁলোকে নিশ্চয় জানিব কিয় এইবোৰ ব্যৱহাৰ কৰিব লাগে আৰু এইবোৰ ব্যৱহাৰ কৰাৰ অৰ্ন্তনিহিত কাৰণ আছে। |
| **শিক্ষক** | মই মোৰ শ্ৰেণীত তেওঁলোকে নাট্যভাংশ লিখি মোক জমা দিয়াৰ পিচত এইবোৰৰ বিষয়ে আলোচনা কৰিছিলো যাতে ছাত্ৰ-ছাত্ৰীসকলে যিকোনো নাট প্ৰদৰ্শনৰ সময়ত নাটকৰ সৈতে জৰিত শিল্প দক্ষতা (craft) সম্পৰ্কে ভালদৰে জানিব পাৰে। মই ভাবো যে এই আলোচনাই তেওঁলোকৰ বছৰেকীয়া সাংস্কৃতিক সমাৰোহৰ ক্ষেত্ৰত সহায় কৰিব। |
| **বিদ্যালয়ৰ মুৰব্বী** | মই এতিয়াহে বুজিছো কিয়? আপোনাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে কিয় যিকোনো সভাত (assembly) নিজকে ভালদৰে উপস্থাপন কৰিব পাৰে। এজন ছাত্ৰই যদি আপুনি দিয়া মঞ্চ পৰিচালনাৰ আঠটা শব্দই ব্যৱহাৰ কৰিব পাৰে তেওঁক আমি বিশিষ্ট (outstanding) শ্ৰেণীভুক্ত (grade) কৰিম নেকি? |
| **শিক্ষক** | মই অনুভৱ কৰো যে বোৰ্ডত প্ৰদৰ্শিত শব্দতকৈ বেছি শব্দ ব্যৱহাৰ কৰি মঞ্চ পৰিচালনা কৰিব পাৰে, তেতিয়াহে আমি তেওঁলোকক বিশিষ্ট (outstanding) শ্ৰেণীভুক্ত কৰা উচিত। আপুনি কি ক'ব খুজিছে মই বুজি পাইছো। গতিকে মই এনেধৰণে চিন্তা কৰিছো যে— যদি মাত্ৰ দুটা মঞ্চ পৰিচালনাৰ শব্দ ব্যৱহাৰ কৰিছে |

| | |
|---|---|
| | সেইসকল ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত শিক্ষকে বিশেষ মনোযোগ দিব লাগিব। আঠোটা শব্দই ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰীক A, শ্ৰেণীভূক্ত কৰা হ'ব। ছটা শব্দ ব্যৱহাৰ কৰিলে মজলীয়া (average) আৰু চাৰিটা শব্দ ব্যৱহাৰ কৰিলে C শ্ৰেণীভূক্ত কৰি সন্তোষজনক (satifactory) বুলি ধৰিব পৰা যাব বুলি মই ভাবো। |
| **বিদ্যালয়ৰ মুৰব্বী** | শ্ৰেণীভূক্ত কৰোতে আমি যথোপযুক্ততাৰ (appropriateness) কথা পাহৰি যোৱা অনুচিত। গতিকে 'বিশিষ্ট' শ্ৰেণীভূক্ত হ'বলৈ হ'লে এজন ছাত্ৰই শব্দসমূহ যথোপযুক্ত স্থানত ব্যৱহাৰ কৰিব লাগিব। |
| **শিক্ষক** | কি আছে। মই এই বিষয়ে আগবাঢ়ি আপোনাক কম। মোৰ মনত আৰু কিছু ভাৰধাৰা আছে। |

## আলোচনা (Discussion)

আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে বিদ্যালয়ৰ নেতৃত্ব বহনকৰ্ত্তাৰ প্ৰশ্নসমূহে শিক্ষকক মূল্যায়নৰ বিষয়ে ভাবিবলৈ সহায় কৰিছে। তেখেতে স্পষ্টভাৱে মূল্যায়নৰ Rubric তৈয়াৰ কৰোতে অধিক নীতি (Criteria) ব্যৱহাৰ কৰাৰ ইচ্ছা শিক্ষকৰ মনত জগাই তুলিছে। ইয়াৰ বিপৰীতে শিক্ষকসকলৰ মনত এই অৰ্ন্তদৃষ্টি জগাই তুলিব লাগিব যে তেখেতে ব্যৱহাৰ কৰা নীতি (Criteria) [মঞ্চ পৰিচালনাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা শব্দ) সমূহেই গঠনভিত্তিক মূল্যায়ন নহয়। সেয়ে নহ'লে, শিক্ষকে তেখেতৰ আৰম্ভণিৰ নীতি (initial criteria) (মঞ্চ পৰিচালনাত ব্যৱহৃত শব্দৰ সংখ্যা = grade (মান) ] ব্যৱহাৰ কৰি চাত্ৰ-ছাত্ৰীৰ শিকন প্ৰক্ৰিয়াৰ বিকাশ ঘটাবলৈ ফলপ্ৰসূ গঠনভিত্তিক মূল্যায়ন পাবলৈ সক্ষম হোৱাৰ পৰিবৰ্তে কেৱল অধিক মান ব্যৱহাৰৰ ওপৰতহে গুৰুত্ব দিব।
নীতিৰ (criteria) সৈতে অইন দিশ (aspects) সমূহৰ সংযোজন ঘটাই (উদাহৰণস্বৰূপে — মঞ্চ পৰিচালনাৰ সঠিক ব্যৱহাৰ) শিক তথা ছাত্ৰসকলে নিজেই শিকনৰ বাবে মূল্যায়ন কৰিব পাৰে, নহ'লে ছাত্ৰসকলে মূল্যায়নৰ বাবে শিকনৰ বিষয়তহে আগ্ৰহী হ'ব।

শিকনৰ বাবে মূল্যায়নক পোশকতা কৰিবলৈ কি ধৰণে নীতি ব্যৱহাৰ কৰিব সেইবিষয়ে বুজিবলৈ শিক্ষকসকলৰ কিছু সময়ৰ প্ৰয়োজন হ'ব, কাৰণ ইয়াৰ বাবে কেৱল ধাৰণা সম্বন্ধে বুজি পোৱা, মূল্যায়নৰ সুযোগসমূহৰ পৰিকল্পনা কৰা আৰু Rubric গঠন কৰাই (ইয়াত মূল্যায়নৰ নীতিৰ সৈতে সাফল্যৰ মান (standard) সৈতে সংযুক্ত কৰা হয়)জড়িত নহয়। শ্ৰেণীকোঠাত ছাত্ৰ আৰু শিক্ষকৰ মাজত বিশেষ ধৰণৰ কথোপকথনৰ বাতাবৰণৰ সৃষ্টি কৰিব লাগিব। এইধৰণৰ কথোপকথন Rubric ব্যৱহাৰ কৰি তেওঁলোকৰ শিকনৰ বিষয়ে বা শিকনৰ পৰৱৰ্তী ঢাপৰ বিষয়ে শিক্ষক আৰু ছাত্ৰৰ মাজৰ আলোচনাও হ'ব পাৰে বা ছাত্ৰসকলক নিজকেই বা সহপাঠী সকলক কিদৰে মূল্যায়ন কৰিব পাৰি সেই বিষয়ে বুজি নিজৰ শিকনৰ নিয়ন্ত্ৰণ নিজৰ হাতত লোৱাৰ ক্ষেত্ৰত জড়িত কৰিব পাৰে।



চিত্ৰ 3 ঃ দুজনীয়া গোটত কাম কৰিছে।

যদি আপুনি আগতে কেতিয়াও Rubric ব্যৱহাৰ কৰা নাই, তেনেহ'লে কিদৰে Rubric গঠন কৰিব লাগে আৰু কিদৰে ইয়াক ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ ওজন আহৰণ আৰু দক্ষতাৰ বিকাশৰ ক্ষেত্ৰত কি ধৰণৰ বিকাশ ঘটিছে তাৰ মূল্যায়ন কৰিব পাৰি সেইবিষয়ে সমল 3 ৰ সহায় লওঁক, আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলক এই পথ (approach) গ্ৰহণৰ ক্ষেত্ৰত উৎসাহ যোগাবলৈ আপুনি এখন আৰ্হি প্ৰস্তুত কৰিব পাৰে।

## কাৰ্য 4 ঃ স্বীকৃত নীতি ব্যৱহাৰৰ এক উদাহৰণ (Activity 4: An example of using a rubric)

তলত এখন নম্বৰ দিয়া মূল্যায়ন আৰু এখন মূল্যায়নৰ Rubric ব্যৱহাৰ কৰি শিক্ষক আৰু ছাত্ৰৰ মাজত হোৱা কথোপকথনৰ উদাহৰণ দিয়া আছে। আপুনি এইখিনি পঢ়ি গৈ থাকোতে শিক্ষকে ছাত্ৰৰ শিকনত সহায় কৰিবলৈ কি কৰিছে, সেইবিষয়ে আপোনাৰ শিকন দিনলিপিত টোকা লিখি যাব। আপুনি কল্পনা কৰিব যে এই কথোপকথন আপুনি আপোনাৰ বিদ্যালয়ত নিৰীক্ষণ কৰিছে আৰু শিক্ষকক কি সঁহাৰি (feedback) আপোনাৰ তৰফৰ পৰা প্ৰদান কৰিব সেই বিষয়ে চিন্তা কৰক।

**শিক্ষক** এয়া তোমাৰ উত্তৰ কাকত— তোমাৰ মান (grade) আগৰ বাৰৰ তুলনাত উন্নত হৈছে। তুমি উত্তৰ কাকতখন চোৱা আৰু তুমি কোন কোন অংশত ভাল কৰিছা আৰু ক'ত তোমাৰ উৎকৰ্ষ সাধনৰ প্ৰয়োজন আছে, সেই বিষয়ে মোক কোৱা।

**ছাত্ৰ** মই A পাম বুলি ভাবিছিলো। আপুনি মোক B+ দিলে, এইটো মোৰ যুক্তিসঙ্গত যেন লগা নাইহু মই সকলো উত্তৰ কৰিছো। মই কি বাবে আশা কৰা মতে A পোৱা নাই ধৰিব পৰা নাই।

**শিক্ষক** এতিয়া আমি দুয়ো একেলগে Rubric খনত চকু ফুৰাও আহা। ইয়াৰ দ্বিতীয় নীতি (crition) অনুসৰি বাণী লক্ষ্মীবাঈৰ সিদ্ধান্তৰ কাৰণসমূহ অনুত্ৰ ম সজাব লাগে।

**ছাত্ৰ** মহাশয়, মই লিখাটোৱেই শুদ্ধ অনুত্ৰ ম বুলি মই ভাবিছো।

**শিক্ষক** মই বুজি পাইছো যে তুমি তোমাৰ অনুত্ৰ ম (seguence) টোৱেই শুদ্ধ বুলি অনুভৱ কৰিছা। কিন্তু বুৰঞ্জীৰ ক্ষেত্ৰত কেতিয়াবা আমি নিজৰ ফালৰ পৰা চিন্তা নকৰি, যিজনে সিদ্ধান্ত লৈছিল তেওঁৰ দৃষ্টভঙ্গীৰে বিচাৰ কৰি চোৱা উচিত। তুমি কিয় প্ৰথমে প্ৰত্যক্ষ কাৰণ সমূহেৰে আৰম্ভ কৰিব লাগে বুলি চিন্তা কৰিলা? পৰৱৰ্তী অংশতহে তুমি যিবোৰ কাৰণৰ বাবে সংঘৰ্ষৰ সৃষ্টি হৈছে, সেইবিষয়ে উল্লেখ কৰিছা।

**ছাত্ৰ** প্ৰকৃততে মই ভাবিছিলো যে প্ৰত্যক্ষ কাৰণসমূহ গুৰুত্বপূৰ্ণ নহয়। আপুনি জানে যে বহুবছৰ ধৰি লৈ অহা পক্ষপাতমূলক সিদ্ধান্তসমূহৰ বাবে তেওঁলোকৰ খং উঠি আছিল আৰু গুলীত চৰ্বি ব্যৱহাৰ কৰা ঘটনাটো উৰাবাতৰি হিচাবে ব্যৱহাৰ কৰি এটা উপযুক্ত কাৰণৰ সৃষ্টি কৰিছিল।

**শিক্ষক** তুমি হয়তো এইটো জানি হতাশ হ'বা যে তুমি কথাটো খুব পোনপটীয়াভাৱে চিন্তা কৰিছা। তোমাৰ অনুমান সম্পূৰ্ণ শুদ্ধ। তুমি প্ৰত্যক্ষ কাৰণসমূহেৰে আৰম্ভ কৰি ন্যায়সঙ্গত কাৰণৰ ওপৰত আলোকপাত (highlight) কৰিছা। তাৰপিছত তুমি প্ৰণালীবদ্ধ ভাৱে সময়ৰ লগে লগে পুঞ্জীভূত কাৰণসমূহ চিনাক্ত কৰিছা। এই ক্ষেত্ৰত উল্লেখিত আঠটা কাৰণ ত্ৰ মবদ্ধভাৱে সজালে (higerchy) দেখিবলৈ পাবা যে ইয়াৰ ভিতৰত এটা অন্যতম কাৰণ আছে।

**ছাত্ৰ** আপুনি কি ক'ব বিচাৰিছে মই বুজি পাইছো, গতিকে মই কাৰণ সমূহ লিখোতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব যাতে যুক্তিসঙ্গতভাৱে অনুত্ৰ ম কৰা হয়।

| | |
|---|---|
| **শিক্ষক** | তুমি ঠিকেই কৈছা। এইধৰণে লিখিলে মই পিচৰ সপ্তাহৰ মূল্যায়নৰ ক্ষেত্ৰত A দিবলৈ দ্বিধাবোধ নকৰিম। তোমাৰ লিখনি যথেষ্ট ভাল হৈছে। |
| **ছাত্ৰ** | ধন্যবাদ মহাশয়। মই যদি ভালদৰে চিন্তা কৰি ত্ৰ মবদ্ধভাৱে লিখো, আপুনি এবাৰ চাই দিবনে? |
| **শিক্ষক** | নিশ্চয়হু তুমি ঘৰত লিখি আনি কাইলৈ মোক দেখুওৱা। |
| **ছাত্ৰ** | ধন্যবাদহু এই আলোচনাই প্ৰকৃততেই আমাক সহায় কৰিছে। |

## আলোচনা Discussion

ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীভূত্ত (grade) কৰাৰ পিছত এই কথোপকথন আৰম্ভ কৰিব আপুনি দেখিবলৈ পাব যে ছাত্ৰ-ছাত্ৰীসকলৰ খং উঠিছে আৰু তেওঁলোকে আত্মপক্ষ সমৰ্থন কৰি কিয় তেওঁলোকে আশা কৰা মতে grade নাপালে সেইবিষয়ে ক'বলৈ আৰম্ভ কৰিছে এইটো শ্ৰেণীভূত্তকৰণৰ ফল। যদি কি ধৰণে grade ৰ উন্নতি কৰিব পাৰি সেইবিষয়ে আলোচনা কৰাৰ পিচত তেওঁলোকক শ্ৰেণীভূত্ত কৰা হ'লহেতেন, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সেইটো অধিক গ্ৰহণযোগ্য হ'লহেতেন। দেখা গৈছে যে ছাত্ৰ-ছাত্ৰীসকল শিকনৰ উন্নতিৰ প্ৰতি আগ্ৰহী। শিক্ষাবৰ্ষৰ শেষৰ ফালে তেওঁ কি কৰিব লাগিব সেইবিষয়ে Rubric বেছিকৈ ব্যৱহাৰ কৰি নিজে নিজেই বুজি পাইছে। ওপৰৰ কথা বতৰাত (conucrsation) ছাত্ৰ-ছাত্ৰীয়ে কি সফলতা লাভ কৰিছে আৰু তেওঁলোকে উন্নতি কৰিবলৈ কি কৰা উচিত সেইবিষয়ে আলোকপাত কৰিবলৈ Rubric ত প্ৰৱৰ্ত্তিত নীতি ব্যৱহাৰ কৰা হৈছে। grade ৰ বিষয়ে আলোচনা কৰাৰ আৰু প্ৰয়োজন নাই। তাৰ পৰিবৰ্ত্তে ছাত্ৰ-ছাত্ৰী কিমান সফল হৈছে আৰু পৰৱৰ্ত্তী কালত কিমান সফলতা অৰ্জন কৰিব পাৰি সেইবিষয়ে আলোচনা কৰিলে তেওঁলোকে অকৃতকাৰ্যতাৰ কথা অনুভৱ নকৰি প্ৰতিজন ছাত্ৰই উন্নতি কৰিবলৈ সক্ষম হ'ব।

শিকন সম্বন্ধে এইদৰে আলোচনা কৰাৰ ক্ষেত্ৰত অইন শিক্ষকসকলৰ বুৎপত্তিৰ বিকাশ সাধন কৰিবলৈ সাৱধানতাৰে পৰিকল্পনা কৰিব লাগিব। শিক্ষকসকলক তেওঁলোকৰ নিজৰ কিছুমান ঘটনা অধ্যয়নৰ (case study) ৰ বিষয়ে অইনৰ সৈতে ভাৱ বিনিময় কৰিবলৈ কোৱা বা অইন শিক্ষকে লোৱা শ্ৰেণী নিৰীক্ষণ কৰি তেওঁলোকে গঠনভিত্তিক মূল্যায়ন কিদৰে বিকাশ ঘটাইছে — আপুনি এইধৰণৰ ফলপ্ৰসূ আৰ্হি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ মাজত অনুশীলন কৰোৱাৰ কথা চিন্তা কৰিব পাৰে।

আপুনি নিশ্চয় ওপৰৰ আলোচনাত দেখিবলৈ পাইছে যে পোনপ্ৰথমে ছাত্ৰজনে নিজে লাভ কৰা gradeৰ প্ৰতি চকু দিছে, তেওঁ কিদৰে উন্নতি কৰিব পাৰে সেই ধৰণৰ কথা বতৰাত অংশগ্ৰহণ কৰিব বিচৰা নাই। গতিকে আপুনি কি ধৰণে ছাত্ৰ-ছাত্ৰীক গঠন ভিত্তিক মূল্যায়নত লিপ্ত হ'বলৈ সহায় কৰিব পাৰে, সেইবিষয়েও চিন্তা কৰিব পাৰে। গঠনভিত্তিক মূল্যায়ন শ্ৰেণীকোঠাৰ স্বীকৃত নীতি (norm) স্বৰূপ হ'লে, ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ লগত জৰিত হৈ পৰিব আৰু স্বয়ংসম্পূৰ্ণ (self-sufficient) শিকাৰু হৈ পৰিব।

# কাৰ্য ৫ ঃ ছাত্ৰ-ছাত্ৰীৰ উন্নতি অৱধাবন কৰিবলৈ মূল্যায়নৰ ব্যৱহাৰ (5 Using assessment data to track students' progress)

ছাত্ৰ-ছাত্ৰীক শিকাৰু হিচাবে সৰ্বাংগীণভাৱে বিকাশত সহায় কৰাৰ উপৰি শিকনৰ বাবে মূল্যায়ণে শিক্ষকক নিয়মিতভাৱে ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ মূল্যায়নৰ তথ্য সংগ্ৰহ কৰিবলৈ সম্ভৱপৰ কৰে। ইয়াৰ ফলস্বৰূপে ব্যত্তি উপযোগী আৰু লক্ষ্য নিৰ্ধাৰিত কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি সঠিকভাৱে পাবলৈ অৱকাশ যোগায় আৰু ইয়াক গুণভেদে পৃথকীকৰণ বুলি কোৱা হয়।

কিছুমান ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ত্ৰ মবৰ্ধিত পৰিবৰ্তন হয় আৰু আনহাতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে দোপতদোপে উন্নতি কৰে। ছাত্ৰ-ছাত্ৰীয়ে কি ধৰণে শিকে সেই বিষয়ে যিসকল শিক্ষক জ্ঞাত, তেওঁলোকে একে সময়তে প্ৰয়োজন অনুসৰি বিভিন্ন ধৰণৰ কাৰ্য হাতত লয়।

ইয়াৰ লক্ষ্য হ'ল প্ৰতিজন ছাত্ৰ-ছাত্ৰীক সঠিকভাৱে পৰিচালিত কৰা যাতে কোনেও পিছ পৰি থাকিব লগা নহয় বা যিসকলে ভালধৰণে উন্নতি কৰিছে, তেওঁলোকেও অনুভৱ কৰে যে তেওঁলোকে ফলপ্ৰসুভাৱে শিকিব শ্ৰেণীৰ প্ৰতিজন ছাত্ৰৰ আৰম্ভণিটো ভিন ভিন। শিক্ষকে

প্ৰতিজন ছাত্ৰৰে আধাৰৰেখা সম্বন্ধে জনা দৰকাৰ, ইয়াৰ ফলত শিক্ষকসকলে তেওঁলোকৰ সকলো ছাত্ৰৰ সঠিক প্ৰয়োজন অনুসৰি কাৰ্যসমূহৰ পৰিকল্পনা কৰিব পাৰে আৰু এই কাৰ্যসমূহৰ পৰা পোৱা গঠনভিত্তিক মূল্যায়ন গুণভেদে পৃথকীকৰণ কৰি সকলো ছাত্ৰ-ছাত্ৰীকে ফলপ্ৰসূ শিকমত সহায় কৰিব পাৰে।

## কাৰ্য ৫ ঃ ছাত্ৰ-ছাত্ৰীৰ উন্নতি অনুধাৱন কৰিবলৈ মূল্যায়নৰ ব্যৱহাৰ (Activity 5: Using assessment data to track students' progress)

আপুনি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলে তলত দিয়া কাৰ্য সম্পাদন কৰিছেনে নাই, সেই বিষয়ে জানিবলৈ কি কৰিব তাৰ বিষয়ে চিন্তা কৰক—

- তেওঁ পাঠদান কৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰৰেখা সম্বন্ধে জ্ঞান আছেনে নাই
- গুণভেদে বাছনি কৰি শিকন প্ৰত্ৰি য়া কৰেনে নাই?
- গঠনভিত্তিক মূল্যায়নৰ খতিয়ান ৰাখেনে নাই?
- তেওঁৰ ছাত্ৰসকলক পৰ্যবেক্ষণ কৰেনে নাই?

আপুনি কি উৎসৰ পৰা এই ক্ষেত্ৰত সাক্ষ্য প্ৰমাণ লাভ কৰিব সেই বিষয়ে আপোনাৰ শিকনৰ দিনলিপিত লিপিবদ্ধ কৰক। এই ক্ষেত্ৰত কোনোধৰণৰ পূৰ্বানুমান বা সুনামৰ ওপৰত ভিত্তি নকৰিব, যদি আপুনি দেখে যে এই ধৰণৰ চৰ্চাৰ সাক্ষ্য প্ৰমাণ লাভ কৰাটো অতি কঠিন, তেনেহ'লে এই বিষয়ে তথ্য লাভ কৰিবলৈ আপুনি কি কৰিব সেই সম্বন্ধে আপুনি লিপিবদ্ধ কৰক।

### আলোচনা Discussion

আপোনাৰ বিদ্যালয়ৰ প্ৰসংগত হয়তো আপুনি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলে শিকনৰ বাবে মূল্যায়নক তেওঁলোকৰ নিত্য নৈমিত্তিক চৰ্চাৰ এটা অবিচ্ছেদ্য অংগ হিচাপে প্ৰতিষ্ঠা কৰিছে। আনহাতে আপুনি হয়তো এইটোও অনুভৱ কৰিব পাৰে যে শিকনৰ বাবে মূল্যায়নৰ ক্ষেত্ৰত সুপ্ত হৈ থখা সম্ভাৱনাৰ বিষয়ে বুজি পোৱাৰ আৰম্ভণিৰ পৰ্যায়তে আছে। আপোনাৰ বিদ্যালয়ৰ শিক্ষসকলৰ স্থিতি যিয়েই নহওঁক কিয় শিকনৰ বাবে মূল্যায়ন নিবিড়ভাৱে তেওঁলোকৰ অন্তৰত সুমুৱাই দিবলৈ অধিক চেষ্টা আৰু সময়ৰ প্ৰয়োজন। কাৰণ ই শিকনৰ বহুবোৰ দিশ যেনে— শ্ৰেণীৰ কাৰ্য, মূল্যায়নৰ প্ৰকৃতি আৰু উদ্দেশ্য, শিক্ষক-ছাত্ৰৰ কথোপকথন আদি সংযুক্ত কৰি থয়।

এই ধৰণৰ পৰিৱৰ্তনৰ নেতৃত্ব দিবলৈ বিতং পৰিকল্পনা আৰু নিৰীক্ষণৰ প্ৰয়োজন হ'ব। আপোনাৰ বিদ্যালয়ৰ প্ৰাসঙ্গিকতা আৰু কিমান জন শিক্ষকৰ নেতৃত্ব আপুনি বহন কৰিবলগীয়া হৈছে তাৰ ওপৰতহে উপৰোক্ত দুয়োটা কথা নিৰ্ভৰ কৰিব। এখন সৰু বিদ্যালয়ত আপুনি হয়তো আপোনাৰ প্ৰতিজন শিক্ষকৰ সৈতে আলোচনা কৰাৰ সুযোগ পাব আৰু তেওঁলোকক নিৰীক্ষণ কৰাৰ পিচত ভাৱ বিনিময় আৰু ফলাফল সম্বন্ধে আলোচনা কৰাটোও সম্ভৱ হ'ব। কিন্তু বহল পৰিসৰৰ ক্ষেত্ৰত, আপুনি হয়তো প্ৰথমে শিক্ষকৰ সৰু গোটৰ সৈতে আৰম্ভ কৰি কিদৰে কাম কৰিব লাগিব তাৰ এটা আৰ্হিৰ বিকাশ ঘাটব পাৰে যিটো আৰ্হিৰ পৰা বিদ্যালয়ৰ অইন শিক্ষকসকলে শিকিব পাৰিব।

সংগৃহীত তথ্যই যোগান ধৰা সাক্ষ্য প্ৰমাণৰ ওপৰত ভিত্তি কৰি সদৃঢ় কৌশল আৰু গোটেই শ্ৰেণীৰ আৰু প্ৰতিজন ছাত্ৰৰ বাবে হ্ৰস্ব আৰু দীৰ্ঘম্যাদী পৰিকল্পনা কৰাত সহায় কৰে। শিকনৰ স্তৰ, বোধশক্তি, দক্ষতা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মনোভাৱ এইবোৰৰ বিষয়ে অনুমান কৰাৰ সলনি ব্যক্তিগত আৰু শ্ৰেণীটোৰ উন্নতি মাপ কৰাৰ ক্ষেত্ৰত গঠনভিত্তিক মূল্যায়ণে প্ৰকৃত স্তৰ আৰু ভূমিৰেখা নিৰ্ণয় দৃঢ় সাক্ষ্য প্ৰমাণ যোগান ধৰে।

## 6 সাৰাংশ 6 (Summary)

এই গোটটোতে শিকনৰ বাবে মূল্যায়ন কিদৰে বিদ্যালয়ত অধিক সাহায্যমূলক মূল্যায়নৰ কৌশল সৃজন কৰিব পাৰে সেই বিষয়ে বিবেচনা কৰা হৈছে। ইয়াৰ দ্বাৰা এইটো চিনাক্তকৰণ কৰা হৈছে যে গঠনভিত্তিক মূল্যায়নৰ মাজত ছাত্ৰ-ছাত্ৰীসকলক ক্ষিপ্ৰতাৰে আৰু পৃথকীগত

সঁহাৰি যোগান ধৰাৰ সম্ভাৱনা সুপ্ত হৈ আছে আৰু তেওঁলোকৰ শিকনৰ বিষয়বস্তু আৰু দক্ষতা আহৰণৰ বিকাশত সহায় কৰিব পাৰে। ইয়াৰ ফলত তেওঁলোক অধিক সফল শিকাৰু হ'বলৈ সক্ষম হয়।

এই গোটে শ্ৰেণীত কিদৰে শিকমৰ বাবে মূল্যায়নৰ কৌশল ৰূপায়ণৰ ক্ষেত্ৰত শিক্ষকসকলক নেতৃত্ব দিব পৰা যায় তাৰ বিষয়ে কিছুমান কৌশলৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰে। সদ্যহতে চলি থকা নীতিৰ চিনাক্তকৰণ, ইয়াৰ বিকাশ ঘটাবলৈ কি কৰিব লাগিব আৰু কি ধৰণে মূল্যায়নৰ ব্যৱহাৰ কৰিব লাগিব— এই সকলোবোৰ এই কৌশলৰ অন্তৰ্গত।

এই গোটটো হ'ল শিক্ষণ-শিকন পদ্ধতিৰ ৰূপান্তৰৰ মূলক্ষেত্ৰৰ সৈতে জড়িত গোটসমূহৰ এটা অংশ (aligned to National College of School Leadership). এই গোটে পৰৱৰ্ত্তী গোটসমূহৰ সন্দৰ্ভত আপোনাৰ জ্ঞান আৰু দক্ষতা বিকাশৰ সুযোগ প্ৰদান কৰিব

- প্ৰাথমিক বিদ্যালয়ত শিক্ষণ-শিকনৰ বিকাশৰ নেতৃত্ব বহন
- মাধ্যমিক বিদ্যালয়ত শিক্ষণ-শিকনৰ বিকাশৰ নেতৃত্ব বহন
- শিক্ষকসকলৰ আচৰণগ্ৰ যোগ্যতা বৃদ্ধিৰ বাবে সহায় কৰা
- শিক্ষসকলৰ বৃত্তিগত দক্ষতা বিকাশত নেতৃত্ব প্ৰদান
- পৰামৰ্শ আৰু প্ৰশিক্ষণ
- আপোনাৰ বিদ্যালয়ত চামিলকৰণৰ পৃষ্ঠপোষকতাকৰণ
- ছাত্ৰৰ ফলপ্ৰসু শিকনৰ বাবে সমলৰ ব্যৱস্থাপনা
- আপোনাৰ বিদ্যালয় প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ

# সমলাৱলী (Resources)

## সমল 1 ঃ বিকাশ প্ৰগতি আৰু দক্ষতা যোগ্যতা মূল্যায়ন ঃ (Resource 1: Assessing progress and performance)

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ মূল্যায়নৰ দুটা উদ্দেশ্য আছে ঃ

- **সাৰাংশভিত্তিক মূল্যায়ন ঃ** পিছলৈ উভতি চায় আৰু ইতিমধ্যে কি শিকিলে তাৰ ওপৰত সিদ্ধান্ত প্ৰদান কৰে। ইয়াক সম্পাদন কৰিবলৈ পৰীক্ষাৰ সহায় লোৱা হয় আৰু পৰীক্ষাত Grade প্ৰদান কৰা হয়। ইয়াৰ সহায়ত ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ পৰীক্ষাৰ প্ৰ.নবোৰত সাফল্যৰ বিষয়ে জনোৱা হয়। ই ফলাফল ঘোষণাত সহায় কৰে।
- **গঠন ভিত্তিক মূল্যায়ন ঃ** (বা শিকনৰ বাবে মূল্যায়ন) অনানুষ্ঠানিক আৰু নিদানমূলক প্ৰকৃতিৰ হোৱা হেতুকে ই সম্পূৰ্ণ বেলেগ। শিক্ষকসকলে ইয়াক শিকন প্ৰণালীৰ অংশ হিচাবে ব্যৱহাৰ কৰে— উদাহৰণস্বৰূপে ছাত্ৰসকলে কিবা কথা বুজিছেনে নাই জানিবলৈ প্ৰ.ন কৰা। এই মূল্যায়নৰ ফলাফল পিছৰবাৰৰ শিকনৰ অভিজ্ঞতাৰ বাবে ব্যৱহাৰ কৰা হয়। নিৰীক্ষণ আৰু সঁহাৰি গঠনভিত্তিক মূল্যায়নৰ অংগ।


গঠনভিত্তিক মূল্যায়ন শিকনৰ হাৰ বৃদ্ধি কৰে কাৰণ শিকনৰ বাবে সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে নিম্নোক্ত কথাসমূহ জনাটো প্ৰয়োজনীয় ঃ

- তেওঁলোকে কি শিকিবলৈ গৈ আদি সেই বিষয়ে বোধগম্য হোৱা
- তেওঁলোক সেই শিকন প্ৰত্ৰি য়াৰ কোন পৰ্যায়ত আছে সেই বিষয়ে জনা
- তেওঁলোকে কি ধৰণে উন্নতি কৰিব পাৰে সেই বিষয়ে বোধগম্য হোৱা (অৰ্থাৎ কি ধৰণে আৰু কি পঢ়িব লাগিব)
- যেতিয়া তেওঁলোক নিৰ্ধাৰিত লক্ষ্যত উপনীত হয় সেই বিষয়ে আৰু আকাংক্ষিত ফলাফলৰ বিষয়ে জনা।

আপুনি শিক্ষক হিচাবে প্ৰতিটো পাঠৰ ক্ষেত্ৰত ওপৰোক্ত চাৰিটা দফা মনত ৰাখিলে ছাত্ৰসকলৰ শিকনৰ ক্ষেত্ৰত সৰ্বোৎকৃষ্ট ফলাফল লাভ কৰিব। গতিকে শিক্ষণৰ আগতে, মাজত আৰু পিছত মূল্যায়ন কৰিব পাৰে।

- **আগতে ঃ** শিক্ষণৰ আগতেই মূল্যায়ন কৰিলে আপুনি ছাত্ৰসকলে কি জানে সেই বিষয়ে চিনাক্ত কৰিব পাৰিব। ই ভূমিৰেখা নিৰ্ধাৰণত সহায় কৰে আৰু আপোনাৰ শিক্ষণ পৰিকল্পনাৰ আৰম্ভণিৰ দিয়ে। আপোনাৰ ছাত্ৰসকলে কি জানে সেই বিষয়ে আপোনাৰ বোধগম্য হ'লে তেওঁলোকে বস্তুকেই পঢ়াই থকা বা নজনা কথা বাদ দি যোৱাৰ সম্ভাৱনা হ্ৰাস পায়।
- **মাজত ঃ** শ্ৰেণীৰ মাজত মূল্যায়ন কৰিলে, ছাত্ৰসকলে শিকনৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে নে নাই সেই বিষয়ে জনাৰ সুযোগ দিয়ে। ই আপোনাৰ শিকন পদ্ধতি, সমল আৰু কাৰ্য সমন্বয় ঘটাবলৈ সহায় কৰিব। ইয়াৰ ফলত ছাত্ৰসকলে নিৰ্ধাৰিত লক্ষ্যৰ ফালে কি ধৰণে অগ্ৰসৰ হৈছে আৰু আপোনাৰ শিক্ষণ এই ক্ষেত্ৰত কিমান সফল সেই কথা বোধগম্য হোৱাত সহায় কৰিব।
- **পিছত ঃ** শিক্ষণৰ পিছত কৰা মূল্যায়ণে ছাত্ৰসকলে কি শিকিলে সেই বিষয়ে সাব্যস্ত কৰে আৰু কোনে শিকিলে আৰু কাক সহায়ৰ প্ৰয়োজন, সেই বিষয়ে আপোনাক জানিবলৈ দিয়ে। ই আপোনাৰ শিকনৰ লক্ষ্যৰ সাফল্যৰ মূল্যায়নৰ বিষয়ে জনাৰ অৱকাশ যোগায়।
- **আগতে ঃ** আপোনাৰ ছাত্ৰই কি শিকিব সেই বিষয়ে পৰিস্কাৰ ধাৰণা

যেতিয়া আপুনি এটা পাঠ বা কেইটামান পাঠৰ পৰা ছাত্ৰই কি শিকিব সেই বিষয়ে থিৰাং কৰে, আপুনি এই বিষয়ে ছাত্ৰসকলৰ লগত ভাৱ বিনিময় কৰাটো প্ৰয়োজন। আপুনি তেওঁলোকক কি কৰিবলৈ কৈছে আৰু তেওঁলোকে কি বুজিছে সেই দুয়োটাৰ মাজত পাৰ্থক্য আছে নেকি সাৱধানতাৰে পৰীক্ষা কৰক। আপোনাৰ কথা প্ৰকৃততে তেওঁলোকৰ বোধগম্য হৈছে নে নাই সেই বিষয়ে জানিবলৈ তেওঁলোকক খোলাকৈ প্ৰ.ন কৰক। উদাহৰণস্বৰূপে ঃ




ছাত্ৰসকলক উত্তৰ দিয়াৰ আগেয়ে কিছু সময় চিন্তা কৰিবলৈ দিয়ক বা তেওঁলোকক দুজনীয়া বা ততোধিক সংখ্যক সৰু গোট হৈ নিজৰ মাজত আলোচনা কৰিবলৈ দিয়ক। তেওঁলোকৰ উত্তৰৰ পৰা আপুনি জানিব পাৰিব যে তেওঁলোকে কি শিকিবলৈ গৈ আছে সেই বিষয়ে বোধগম্য হৈছে নে নাই।

## আগতে ঃ ছাত্ৰসকল শিকনৰ কি পৰ্যায়ত আছে সেই বিষয়ে অৱগত।

আপোনাৰ ছাত্ৰসকলৰ উন্নতিত সহায় কৰিবলৈ আপুনি তথা তেওঁলোক দুয়ো পক্ষই তেওঁলোকৰ শিকনৰ শেহতীয়া পৰ্যায়ৰ ওজন আৰু বোধৰ (understanding) বিষয়ে জনা প্ৰয়োজন। এবাৰ আপোনাৰ ঈপ্সিত শিকনৰ লক্ষ্যৰ (interded learniy goal) বিষয়ে ভাৱ বিনিময় কৰাৰ পিচত নিম্নোক্ত কাৰ্যসমূহ হাতত ল'ব পাৰে ঃ

- ছাত্ৰসকলক দুজনীয়া গোটত বিভক্ত কৰি আপুনি উল্লখিত বিষয় সম্বন্ধে কি জানে সেইবিষয়ে মানস চিত্ৰ (mind map) গঠন কৰিবলৈ বা এখন তালিকা তৈয়াৰ কৰিবলৈ কওঁক। ইয়াৰ বাবে তেওঁলোকক কিছু সময় দিয়ক। তাৰ পিচত আপুনি তেওঁলোকৰ ভাৱ বা তালিকাৰ পৰ্যালোচনা (review) কৰক।
- বোৰ্ডত ওঁলোকক গুৰুত্বপূৰ্ণ শব্দৰ তালিকা (vocabulary) লিখক আৰু সেই শব্দসমূহৰ বিষয়ে কি জানে সেইবিষে স্বেচ্ছাই ক'বলৈ দিয়ক। এতিয়া শ্ৰেণীৰ বাকী ছাত্ৰক সেই শব্দৰ বিষয়ে যদি জানে বুঢ়া আঙুলি ওপৰলৈ কৰিবলৈ যদি একেবাৰে নাজানে, বুঢ়া আঙুলি তললৈ কৰিবলৈ আৰু যদি অলপ জানে তেনেহ'লে বুঢ়া আঙুলি অনুভূমিক ( horizontal) কৰিবলৈ কওঁক।

আপুনি ক'ৰ পৰা শিক্ষণ আৰম্ভ কৰিব লাগিব, সেই বিষয়ে জনাৰ অৰ্থ হ'ল আপুনি আপোনাৰ ছাত্ৰসকলৰ বাবে প্ৰাসঙ্গিক (relevant) আৰু গঠনমূলক (constructive) হোৱাকৈ পাঠ পৰিকল্পনা (lesson plan) কৰিব পাৰিব। এইক্ষেত্ৰত এইটোও গুৰুত্বপূৰ্ণ কথা যে

আপোনাৰ ছাত্ৰসকলে তেওঁলোকে কিমান ভালদৰে শিকিছে, সেইবিষয়ে তেওঁলোক নিজেই অৱগত হোৱা উচিত যাতে আপুনি আৰু তেওঁলোক দুয়োপক্ষই পৰৱৰ্তী পৰ্যায়ত কি শিকিব লাগিব, সেই বিষয়ে জানিব পাৰে। আপোনাৰ ছাত্ৰসকলক তেওঁলোকৰ শিকনৰ দ্বায়িত্ব নিজে লোৱাৰ সুযোগ প্ৰদান কৰিলে, ভৱিষ্যত জীৱনৰ শিকনৰ ক্ষেত্ৰসহায়ক হ'ব।

## মাজত ঃ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ উন্নতিত সহায় কৰা (During: ensuring students' progress in learning)

যেতিয়া আপুনি ছাত্ৰসকলক তেওঁলোকৰ বৰ্তমানৰ উন্নতি সম্বন্ধে ক'ব তেতিয়া এইবিষয়ে লক্ষ্য ৰাখিব যাতে আপোনাৰ সঁহাৰি গঠনমূলক (constructive) আৰু useful (উপকাৰী) হয়। এইবিষয়ে নিশ্চিত হ'বলৈ আপুনি নিম্নলিখিত কথাবোৰলৈ চকু ৰাখিব ঃ

- ছাত্ৰসকলক তেওঁলোকৰ নিজৰ সামৰ্থ্যৰ (strenpth) বিষয়ে জানিবলৈ সহায় কৰক আৰু কিদৰে তেওঁলোকে অধিক উন্নতি কৰিব পাৰে।
- কি ক্ষেত্ৰত অধিক বিকাশৰ প্ৰয়োজন সেইবিষয়ে স্পষ্ট কৰক।
- তেওঁলোকে কি ধৰণে শিকনৰ বিকাশ ঘটাব পাৰে হৈবিষয়ে ধনাত্মক আলোচনা কৰক যাতে তেওঁলোকে আপোনাৰ উপদেশ বুজি পায় আৰু ব্যৱহাৰ কৰিবলৈ সক্ষম হয়।

আপুনি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকনৰ বিকাশ সাধিবলৈ সুযোগ প্ৰদান কৰা প্ৰয়োজন। ইয়াৰ অৰ্থ এয়ে যে আপুনি পাঠ পৰিকল্পনাত এনে পৰিবৰ্তন সাধিব লাগিব যাতে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বৰ্তমানৰ শিকনৰ পৰ্যায় আৰু আপুনি তেওঁলোকক যি পৰ্যায়লৈ লৈ যাবলৈ বিচাৰে তাৰ ব্যৱধান যাতে কমি আহে। ইয়াৰ বাবে আপুনি নিম্নলিখিত কামবোৰ কৰিব পাৰে ঃ

- তেওঁলোকক এনে কিছুমান কাম কৰিলৈ দিয়ক যিবোৰ ইতিমধ্যে তেওঁলোক জানে।
- প্ৰয়োজন অনুসৰি ছাত্ৰসকলক ভিন ভিন গোট কৰক আৰু তেওঁলোকক পৃথক পৃথক কাম দিয়ক।
- উপৰোক্ত ব্যৱধান আঁতৰাবলৈ সমলবোৰৰ ভিতৰত কি সমল (resource) ব্যৱহাৰ কৰিব লাগিব সেইবিষয়ে নিজেই নিৰ্ণয় কৰিবলৈ তেওঁলোকক উৎসাহিত কৰক।
- 'নিম্ন অনৰ্তভূক্তি বিশিষ্ট', 'উচ্চ পৰিসীমা বিশিষ্ট' (low entry, high ceilling) কাম কৰিবলৈ দিয়ক যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে উন্নতি কৰিব পাৰে। এই কামবোৰ এনেধৰণে পৰিকল্পনা কৰা হয় যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভণি কৰিব পাৰে কিন্তু অধিক সক্ষম সকলৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাথাকে আৰু তেওঁলোকৰ শিকন সম্প্ৰসাৰিত কৰি উন্নতি কৰিব পাৰে।

কেতিয়াবা পাঠসমূহৰ গতি কমাইও আপুনি প্ৰকৃতভে শিকনৰ গতি বৃদ্ধি কৰিব পাৰে। কাৰণ ইয়াৰ দ্বাৰা আপুনি তেওঁলোকক শিকনৰ উন্নতি সাধিবলৈ কি কৰা উচিত সেইবিষয়ে চিন্তা কৰিবলৈ আৰু বুজিবলৈ সময় দিছে আৰু প্ৰত্যয় (cofidence) জন্মাইছে। আপুনি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ কামসম্বন্ধে তেওঁলোকৰ শিকনৰ ব্যৱধান আৰু সেই ব্যৱধান কমাবলৈ কি কৰা উচিত সেইবিষয়ে নিজৰ মাজতে কথা পাতিবলৈ দি প্ৰকৃততে তেওঁলোকক স্বমূল্যায়নৰ পথৰ নিৰ্দেশ দিছে ।

## প্ৰমাণসমূহৰ সংগ্ৰহ আৰু সাব্যস্তকৰণ আৰু পৰৱৰ্তী আঁচনি (After: collecting and interpreting evidence, and planning ahead)

শিক্ষণ-শিকন প্ৰক্ৰি য়া চলি থকা সময়ত আৰু তাৰপিচত শ্ৰেণীত বা ঘৰত কৰিবলৈ কাম দিয়াৰ পিচত নিম্নলিখিত কাৰ্যসমূহ কৰা উচিত ঃ

- আপোনাৰ ছাত্ৰসকলে কিমান ভালধৰণে কামবোৰ কৰিছে।
- এইবোৰ ব্যৱহাৰ কৰি আপোনাৰ পৰৱৰ্তী পাঠৰ পৰিকল্পনা সম্বন্ধে জনাওঁক।
- ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক ইন্ধন যোগাওঁক।

তলত মূল্যায়নৰ চাৰিটা মুখ্য পৰ্যায়ৰ বিষয়ে আলোচনা কৰা হৈছে।

## তথ্য বা প্ৰমাণৰ সংগ্ৰহ (Collecting information or evidence)

বিদ্যালয়ৰ বাহিৰতেই হওঁক বা ভিতৰতেই হওঁক প্ৰতিজন ছাত্ৰই নিজৰ গতিত আৰু নিজৰ ধৰণে ভিন ভিন ধৰণে শিকে। গতিকে ছাত্ৰক মূল্যায়নৰ সময়ত আপুনি দুটা কাম কৰা উচিত।

- ভিন ভিন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰক। যেনে- আপোনাৰ নিজৰ অভিজ্ঞতা, ছাত্ৰ-ছাত্ৰী, অইন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক, অভিভাৱক আৰু সমজুৱাৰ পৰা।
- ছাত্ৰ-ছাত্ৰীক এককভাৱে (individually), দুজনীয়া গোটত (in pairs) আৰু দলবদ্ধ ভাৱে মূল্যায়ন আৰু স্ব-মূল্যায়নৰ বাবে উদ্‌গণি দিয়ক। যিহেতু আপুনি বিচৰা সকলো তথ্য কেৱল এটা পদ্ধতিৰ (method) দ্বাৰা লাভ কৰা সম্ভৱ নহয়, গতিকে ভিন ভিন পদ্ধতি ব্যৱহাৰ কৰাটো প্ৰয়োজনীয়। ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু ইয়াৰ বিকাশৰ বাবে তথ্য সংগ্ৰহৰ ভিন ভিন প্ৰণালী সমূহ হ'ল — নিৰীণ, শ্ৰৱণ (leistering) বিষয়বস্তু আৰু প্ৰসঙ্গ সম্বন্ধে আলোচনা আৰু শ্ৰেণীত লিখা আৰু ঘৰত কৰা কামৰ (homework) পৰ্যালোচনা (review)।

## নথিকৰণ (Recording)

ভাৰতবৰ্ষৰ সকলো বিদ্যালয়তে লিখিত বিবৰণ ৰখাৰ গতানুগতিক পদ্ধতি হ'ল ৰিপোৰ্ট কাৰ্ডৰ ব্যৱহাৰ। কিন্তু ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ সকলো দিশৰ খতিয়ান ৰখাৰ সুযোগ নাথাকিবও পাৰে। তলত এই ক্ষেত্ৰত আপোনাৰ বিবেচনাৰ বাবে কেইটামান সৰল উপায় উল্লেখ কৰা হ'ল। যেনে—

- শিক্ষণ-শিকন চলি থকা সময়ত আপুনি কি পৰ্যবেক্ষণ কৰিলে সেইসম্বন্ধে টোকাবহীত টোকা কৰি যাওঁক।
- ছাত্ৰ-ছাত্ৰীৰ কৰ্মৰ নমুনা এটা পত্ৰাধাৰত (portfolio) ৰাখি থওঁক (যেনে লিখনি, চিত্ৰ, চাৰুকলা (craft), প্ৰকল্প (project), কবিতা আদি)
- সকলো ছাত্ৰ-ছাত্ৰীৰ পৰিলেখ (profile) প্ৰস্তুত কৰক।
- ছাত্ৰ-ছাত্ৰীৰ কোনো অস্বাভাৱিক (unusual) ঘটনা, পৰিবৰ্তন, সমস্যা, সমতা (strength) আৰু শিকনৰ সাক্ষ্যপ্ৰমাণৰ খতিয়ান ৰাখক।

## প্ৰমাণৰ সাব্যস্তকৰণ (Interpreting the evidence)

তথ্য আৰু সাক্ষ্যপ্ৰমাণ সংগ্ৰহ কৰি ইয়াৰ খতিয়ান ৰখাৰ পিচত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে কি ধৰণে শিকিছে বা উন্নতি কৰিছে সেইবিষয়ে বুজিবলৈ ইয়াৰ তাৎপৰ্য উদ্ধাৰ কৰা প্ৰয়োজনীয়। ইয়াৰ বাবে সাৱধানতাৰে বি ষণ আৰু দৃষ্টিপাত কৰা উচিত। আপোনাৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি শিকন প্ৰত্ৰি য়াৰ উন্নতি সাধনৰ বাবে ছাত্ৰ-ছাত্ৰীক সঁহাৰি প্ৰদানৰ দ্বাৰা বা নতুন সমল যোগান ধৰি বা ছাত্ৰ-ছাত্ৰীৰ গোটবোৰৰ পুনৰ বিন্যাস কৰি বা কোনো এটা শিকনৰ নিৰ্দ্দিষ্ট অংশ পুনৰবাৰ দোহাৰি— এই ধৰণৰ কামবোৰ কৰিব পাৰে।

## উৎকৰ্ষ সাধনৰ (Improvident) বাবে পৰিকল্পনা ঃ (Planning for improvement)

যিবোৰ ছাত্ৰ-ছাত্ৰীক শিকনৰ ক্ষেত্ৰত অধিক সহায়ৰ প্ৰয়োজন তেওঁলোকৰ ক্ষেত্ৰত অধিক মনোনিবেশ কৰি আৰু শিকনৰ ক্ষেত্ৰত অগ্ৰগ্ৰামী (advanced) ছাত্ৰ-ছাত্ৰীক প্ৰত্যাহ্বান জনাব পৰাকৈ প্ৰতিজন ছাত্ৰৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট (specific) আৰু বৈশিষ্টভিত্তিক (differentiated) শিকনৰ কাৰ্যৰ প্ৰৱৰ্তন কৰি শিকন প্ৰত্ৰি য়া অধিক অৰ্থবহ কৰিবলৈ মূল্যায়ণে আপোনাক সহায় কৰিব।

# সমল ২ ঃ নিৰীক্ষণ আৰু সঁহাৰি প্ৰদান Resource 2: Monitoring and giving feedback

ছাত্ৰ-ছাত্ৰীৰ দক্ষতাৰ (Performance) বিকাশ সাধিবলৈ অবিৰত ভাৱে তেওঁলোকৰ কাৰ্য নিৰীক্ষণ কৰি আপুনি তেওঁলোকৰ পৰা কি বিচাৰে সেই প্ৰতিত্ৰি য়া তেওঁলোকক জনোৱা প্ৰয়োজন যাতে তেওঁলোকে কাৰ্য সম্পাদনৰ পিচত আপোনাৰ সঁহাৰি (feef back) সম্বন্ধে জানিব পাৰে। আপোনাৰ গঠনমূলক সঁহাৰিয়ে তেওঁলোকৰ দক্ষতা বিকাশত সহায় কৰিব।

## নিৰীক্ষণ ত্তম্প্ংনৰ্দ্ধম্পজ্জন্দন্ধ

সফল শিক্ষকসকলে বেছিভাগ সময় তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী নিৰীক্ষণৰ ওপৰত গুৰুত্ব দিয়ে। সাধাৰণতে বেছিভাগ শিক্ষকেই ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত পৰ্যবেক্ষণ (observing) কৰি বা তেওঁলোকৰ পৰা শুনি ছাত্ৰ-ছাত্ৰীৰ কাৰ্য নিৰীক্ষণ কৰে। ছাত্ৰ-ছাত্ৰী বিকাশ নিৰীক্ষণ কৰাটো সীক্ষ্মবিচাৰ সম্বলিত (critical), কাৰণ ই ছাত্ৰ-ছাত্ৰীক—

- উচ্চ গ্ৰেড পোৱাত সহায় কৰে।
- নিজৰ দক্ষতা সম্বন্ধে সজাগ কৰে আৰু নিজৰ শিকনৰ ক্ষেত্ৰত দায়িত্ববান কৰে।
- শিকনৰ বিকাশত সহায় কৰে।
- ৰাজ্যিক বা স্থানীয় মানবিশিষ্ট (standardized) পৰীক্ষাত সাফল্যৰ পূৰ্বাভাষা (predict) প্ৰদান কৰে। ই শিক্ষক হিচাবে আপোনাক তলৰ সিদ্ধান্তবোৰ ল'বলৈ সহায় কৰে ঃ
- কেতিয়া প্ৰ.্ন কৰিব লাগিব বা কেতিয়া সোঁৰৰাই দিব লাগিব (prompt)
- কেতিয়া প্ৰশংসা কৰিব লাগিব।
- কেতিয়া প্ৰত্যাহ্বান জনাব লাগিব।
- বেলেগ বেলেগ গোটক কিদৰে এটা কাৰ্যত অন্তৰ্ভূক্ত কবি লাগিব।
- ভূল হ'লে কি কবি লাগিব।

ছাত্ৰ-ছাত্ৰীসকলক স্পষ্ট আৰু তাৎক্ষণিক সঁহাৰি প্ৰদান কৰিলে তেওঁলোকে অধিক উন্নতি কৰিব। নিৰীক্ষণৰ ফলত আপুনি ছাত্ৰ-ছাত্ৰীক নিয়মিত সঁহাৰি (regular feedback) প্ৰদান কৰিবলৈ সক্ষম হ'ব আৰু ইয়াৰ ফলত তেওঁলোকে কি কৰি আছে আৰু শিকনত অগ্ৰসৰ হ'বলৈ অধিক কি কৰিব লাগিব জানিব পাৰিব।

এইক্ষেত্ৰত আপুনি এটা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব— সেইটো হ'ল স্ব-নিৰীক্ষণ (self monitoring)। অৰ্থাৎ আপুনি ছাত্ৰ-ছাত্ৰীক নিজৰ শিকনৰ লক্ষ্য নিজেই স্থাপনত সহায় কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী বিশেষকৈ যিবোৰে শিকনৰ ত্ৰেত যথেষ্ট কষ্ট কৰিব লাগে, তেওঁলোকে নিজৰ শিকনৰ দায়িত্ব নিজে ল'বলৈ সম নহয় বা ল'ব নোৱাৰে। কিন্তু আপুনি যিকোনো এজন ছাত্ৰক এটা প্ৰকল্পৰ বাবে নিজৰ লক্ষ্য স্থিৰ কৰিবলৈ কামৰ পৰিকল্পনা কৰা আৰু সময় সীমা বান্ধি লোৱা আৰু নিজেই নিজৰ উন্নতি নিৰীক্ষণ কৰাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। স্বনিৰীক্ষণৰ এই প্ৰথা অনুশীলন কৰি এই ক্ষেত্ৰত পটুতা অৰ্জন কৰিলে তেওঁলোক বিদ্যালয়ৰ উপৰিও গোটেই জীৱনৰ ক্ষেত্ৰতে লাভৱান হ'ব।

## ছাত্ৰ-ছাত্ৰীসকলৰপৰা শ্ৰৱণ আৰু তেওঁলোকক পৰ্যৱেক্ষণ (Listening to and observing students)

বেছিভাগ সময়তেই স্বাভাৱিকভাৱে ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ কৰিবলৈ শিক্ষকে শ্ৰেণীত তেওঁলোকৰ কামকাজ পৰ্যবেক্ষণ (observation) কৰে আৰু তেওঁলোকৰ কথা শুনে। উদাহৰণস্বৰূপে —

- ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পাঠ আওৰোৱা শুনিব পাৰে।
- দুজনীয়া বা ততোধিক গোটত তেওঁলোকে কৰা কথোপকথন শুনিব পাৰে।
- শ্ৰেণীকোঠাৰ ভিতৰত বা বাহিৰত ব্যৱহাৰ কৰা সমলৰ (resource) পৰ্য্যবেক্ষণ কৰিব পাৰে।

- তেওঁলোকে গোটত কাম কৰা সময়ত শৰীৰৰ ভাষা (Body language) পৰ্যবেক্ষণ কৰিব পাৰে।

আপুনি নিশ্চিত হওঁক যে ছাত্ৰ-ছাত্ৰীৰ শিকন বা শিকনৰ বিকাশৰ প্ৰকৃত স্যাপ্ৰমাণ আপুনি সংগ্ৰহ কৰা পৰ্যবেক্ষণবোৰে যোগান ধৰিব পাৰে। আপুনি যি দেখিলে, শুনিলে, সনুচিত বুলি ভাবিলে বা গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিলে সেইখিনিহে লিপিবদ্ধ কৰক।

ছাত্ৰ-ছাত্ৰীসকলক কামত ব্যস্ত থকাৰ সময়ত শ্ৰেণীকোঠাত আপুনি ঘূৰা পকা কৰক যাতে আপুনি চুটি টোকা লিখি যাব পাৰে। কেনে ছাত্ৰক অধিক সহায়ৰ প্ৰয়োজন আৰু কাৰোবাৰ বুজাত কিবা ভুল হৈছে নেকি সেইবিষয়ে এই ঘূৰাপকা কৰাৰ সময়তে লক্ষ্য কৰি লিপিবদ্ধ কৰক। এই পৰ্যবেক্ষণ বা টোকাসমূহ গোটেই শ্ৰেণীক আপোনাৰ সঁহাৰি প্ৰদান কৰিবলৈ বা তেওঁলোকক এককভাৱে বা গোটত উৎসাহ দিবলৈ ব্যৱহাৰ কৰিব পাৰে।

## সঁহাৰি প্ৰদান (Giving feedback)

সঁহাৰিৰ অৰ্থ হ'ল কোনো এটা নিৰ্দিষ্ট লক্ষ্য বা আকঙ্খিত ফলাফল সাপেক্ষে তেওঁলোকে কি ধৰণৰ পাৰদৰ্শিতা লাভ কৰিছে তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক আপোনাৰ তথ্য প্ৰদান কৰা। ফলপ্ৰসূ সঁহাৰিয়ে ছাত্ৰ-ছাত্ৰীক তলত দিয়া তথ্যসমূহ প্ৰদান কৰে।

- কি ঘটিল সেইবিষয়ে তথ্য।
- এটা কাৰ্য কিমান ভালদৰে সম্পাদন কৰা হ'ল সেই সম্বন্ধে মান নিৰূপণ।
- কিদৰে তেওঁলোকৰ সম্পাদিত কাৰ্যৰ উন্নতি সাধিব পাৰে সেইবিষয়ে পথ নিৰ্দেশ।

যেতিয়া আপুনি প্ৰতিজন ছাত্ৰক সঁহাৰি প্ৰদান কৰিব, তেতিয়া তেওঁলোকে তলৰ কথাবোৰ জানিবলৈ সক্ষম হ'ব ঃ

- তেওঁলোকে প্ৰকৃততে কি কৰিব পাৰে।
- তেওঁলোকে এতিয়াও কি কৰিব নোৱাৰে।
- তেওঁলোকৰ কাৰ্য কিদৰে অইনৰ সৈতে তুলনা কৰি পাৰি।
- তেওঁলোকে কিদৰে উন্নতি কৰিব পাৰে।

এইটো মনত ৰাখিবলগীয়া যে ফলপ্ৰসূ সঁহাৰিয়ে ছাত্ৰ-ছাত্ৰীক সহায় কৰে। আপুনি শিকন প্ৰক্ৰি য়া নিয়ন্ত্ৰণ কৰিব বিচৰা নাই কাৰণ আপোনাৰ সঁহাৰি অস্পষ্ট (unclear) আৰু পক্ষপাতমূলক (unfair) । ফলপ্ৰসূ সঁহাৰি হ'ল—

- কি কাম কৰিবলৈ দিয়া হৈছে আৰু ছাত্ৰ-ছাত্ৰীয়ে কি শিকা উচিত তাৰ ওপৰত লক্ষ্য স্থাপন কৰক
- স্পষ্ট আৰু সততা। ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকনৰ ভালখিনি আৰু কি ক্ষেত্ৰত উন্নতি কৰিব লাগে কোৱা উচিত।
- কাৰ্যক্ষম। তেওঁলোকে যি কৰিবলৈ সক্ষম তেনে কামবোৰ কৰিবলৈ দিয়ক।
- ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ উপযুক্ত ভাষাত প্ৰদান কৰক।
- সঠিক সময়ত প্ৰদান। যদি অতি সোনকালে দিয়ে, ছাত্ৰই ভাবব 'মই এইটো এইমাত্ৰ কৰিলোহেতেন', যদি পলম কৰে, তেওঁলোকৰ মনোযোগ বিচ্যুত হ'ব আৰু তেওঁলোক পুনৰ আগৰ কামলৈ ঘূৰি যাবলৈ নিবিচাৰিবও পাৰে।


সঁহাৰিৰ বিষয়ে মৌখিক ভাৱেই কওঁক বা ছাত্ৰ-ছাত্ৰীৰ workbook ত লিখিয়েই দিয়ক, তলত দিয়া নিয়ম নীতি (guideline) পালন কৰিলেহে ই ফলপ্ৰসূ হ'ব।

## প্ৰশংসা আৰু ধনাত্মক ভাষাৰ ব্যৱহাৰ

### Using praise and positive language

আমাক সমালোচনা কৰা বা কিবা শুধৰাই দিয়াতকৈ যেতিয়া প্ৰশংসা কৰা হয় বা উদ্‌গণি দিয়া হয়, তেতিয়া আমি অন্তৰেৰে ভাল পাওঁ। সকলো বয়সৰ মানুহৰ বাবে বা গোটেই শ্ৰেণীটোৰ বাবে ধনাত্মক প্ৰশংসাসূচক ভাষা উদ্‌গণিমূলক। মনত ৰাখিব যে প্ৰশংসা ছাত্ৰ-ছাত্ৰীক

কৰাতকৈ তেওঁলোকে কৰা কামৰ ওপৰত সুনিৰ্দ্দিষ্ট আৰু লক্ষ্যকেন্দ্ৰিক হ'ব লাগিব, নহ'লে ই ছাত্ৰ-ছাত্ৰীক সহায় কৰিব নোৱাৰে। 'ভাল হৈছে' বুলি ক'লে ই সুনিৰ্দ্দিষ্ট (specific) নহয়। গতিকে তলত দিয়া কোনো এটা ধৰণে প্ৰশংসা কৰিলে ভাল হয়।




**Using prompting as well as correction**

আপুনি ছাত্ৰ-ছাত্ৰীৰ লগত কৰা কথোপকথনে তেওঁলোকৰ শিকনত সহায় কৰে। যদি তেওঁলোকে দিয়া এটা উত্তৰ অশুদ্ধ বুলি কৈয়েই আপোনাৰ কথোপকথন শেষ কৰে, তেতিয়া তেওঁলোকক নিজে ভবাৰ আৰু চেষ্টা কৰাৰ সুযোগৰ পৰা বঞ্চিত কৰা হ'ব। তাকে নকৰি যদি আপুনি তেওঁলোকক কিবা ইঙ্গিত দিয়ে বা তেওঁলোকক ওপৰঞ্চি প্ৰ.ন কৰি অধিক গভীৰভাৱে ভাবিবলৈ সেগাৰৰাই দিয়ে, তেনেহ'লে তেওঁলোকে উদ্‌গণি পাব আৰু নিজেই নিজই নিজৰ শিকনৰ দায়িত্ব গ্ৰহণ কৰিব। উদাহৰণস্বৰূপে, আপুনি এটা অধিক ভাল উত্তৰ দিবলৈ উদ্‌গণিৰ দ্বাৰা বা বেলেগ এটা কোণৰ পৰা উত্তৰ দিবলৈ সোঁৱৰাই দিবলৈ তলত দিয়া ধৰণে ক'ব পাৰে।




আপুনি পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈও ছাত্ৰ-ছাত্ৰীক উদ্‌গণি যোগোৱা উচিত। এইটো কৰিবলৈ আপোনাৰ প্ৰ.নটো তলত দিয়া ধৰণৰ মন্তব্যসহ শ্ৰেণীৰ বাকী ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰি দিয়ক ঃ




বানান বা সংখ্যা অনুশীলনৰ ক্ষেত্ৰত ছাত্ৰসকলক 'হয়' বা 'নহয়' বুলি কোৱাটো সঠিক হ'ব পাৰে। কিন্তু এইক্ষেত্ৰটো তেওঁলোকৰ উত্তৰৰ চাৰিত্ৰিক বৈশিষ্ট (pattern), একেধৰণৰ অনি উত্তৰৰ সৈতে সংযোগ কৰিবলৈ বা কিয় উত্তৰটো ভুল হৈছে সেইবিষয়ে আলোচনা কৰিবলৈ তেওঁলোকক উদ্বুদ্ধ (prompt) কৰিব পাৰে।

স্ব-সংশোধন (self correction) বা সহপাঠীৰ দ্বাৰা সংশোধন (peel correction) ফলদায়ক। সেয়ে তেওঁলোকে দুজনীয়া গোটত কোনো কাম কৰিবলৈ দিলে তেওঁলোকক ইজনে সিজনক কাম বা নিজেই নিজৰ কাম সংশোধন কৰিবলৈ দি উৎসাহিত কৰিব পাৰে। সংশোধনৰ সময়ত কেৱল এটা দৃষ্টিকোণৰ (aspect) ওপৰত মনোযোগ দিব লাগে যাতে কোনো ধৰণৰ দোধোৰমোধোৰ (confusing) ভাৱ নাথাকে।

## সমল ৩ ঃ মূল্যায়ন স্বীকৃত নীতি কেনেকৈ প্ৰস্তুত কৰে (Resource 3: How to design assessment rubrics)

Rubric এ পাৰদৰ্শিতাৰ ভিন ভিন স্তৰৰ বিষয়ে বৰ্ণনা কৰে আৰু এইবিষয়ে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকক বিতংভাৱে বুজাত সহায় কৰে। প্ৰথমে আপুনি ছাত্ৰই কি ধৰণৰ ওজন, দতা আৰু বোধ (knowledge, skill and understanding) প্ৰদৰ্শন কৰাটো বিচাৰিছে, সেইবিষয়ে চিনাত্ত কৰক। ইয়াৰ পৰাই আপুনি সাফল্যৰ নীতি (success criteria) লিখি উলিয়াব পাৰিব।
ইয়াৰ পিচত আপুনি পাৰদৰ্শিতাৰ (performance) স্তৰৰ বৰ্ণনা কৰিবলৈ (তিনিটা হ'বও পাৰে), সাফল্যৰ ভিন ভিন স্তৰৰ পৃথকীকৰণ কৰা প্ৰয়োজন। উদাহৰণস্বৰূপে আপুনি স্তৰবোৰ এনেধৰণে লিখিব পাৰে ঃ

1. সালোক সংে ষণ (phorosynthesis) সঠিকভাৱে বৰ্ণনা কৰিছে। (accurately)
2. সালোক সংে ষণৰ পদ্ধতি কিছু পৰিমাণে সঠিকভাৱে বৰ্ণনা কৰিছে। (with some accruacy)

- সালোক সংে ষণৰ পদ্ধতি ঠেকগণ্ডীৰ মাজেৰে (limited accuracy) বৰ্ণনা কৰিছে।

নাইবা—

1. গল্প, বিষয়বস্তু আৰু চৰিত্ৰসমূহৰ ক্ষেত্ৰত সূক্ষ্মদৰ্শী ওজন দেখা যায়।
2. গল্প আৰু কিছুমন চৰিত্ৰৰ ভূমিকাৰ বিষয়ে দৃঢ় (sound) ওজন দেখা যায়।
3. গল্পৰ ক্ষেত্ৰত প্ৰাথমিক ওজন দেখা যায় আৰু মাথো হেঁটামন চৰিত্ৰৰ বিষয়েহে ক'ব পাৰে।

নাইবা

1. সঁজুলিবোৰ (equipment) সঠিকভাৱে আৰু স্বতন্ত্ৰভাৱে (correctly and independently) ব্যৱহাৰ কৰিছে।
2. সঁজুলি ব্যৱহাৰ কৰোতেমাজেসময়ে (occasional) শিক্ষক বা সহপাঠীৰ সহায় লৈছে।
3. শিক্ষকৰ সহায় লৈ সঁজুলি ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা দেখা যায়।

These level descriptors can be used with students and by students to explain how they have performed and what they need to do to achieve higher.

# References/bibliography

Assessment for Learning, http://www.assessmentforlearning.edu.au/default.asp?id=912 (accessed 20 October 2014).

Central Board of Secondary Education (2009) *Teachers' Manual on Continuous and Comprehensive Evaluation: Classes IX & X*. Delhi: Central Board of Secondary Education. Available from: http://www.cbse.nic.in/cce/index.html (accessed 20 October 2014).

Intellectual Takeout (undated) 'Middle and high schools critical-thinking rubric' (online). Available from: http://www.intellectualtakeout.org/library/chart-graph/middle-and-high-schools-critical-thinking-rubric (accessed 20 October 2014).

National Council of Educational Research and Training (2005) *National Curriculum Framework* (NCF). New Delhi: NCERT.

Valerie Burger [Pinterest user] (undated) 'Art rubrics elementary grade level' (online), Pinterest. Available from: http://www.pinterest.com/pin/391602130070842472/ (accessed 20 October 2014).

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Table 1: extract from Intellectual Takeout (undated) 'Middle and high schools critical thinking rubric', in http://www.intellectualtakeout.org.

Table 2: adapted from: Valerie Burger [Pinterest user] (undated) 'Art rubrics elementary grade level', available from http://www.pinterest.com.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.